# ছাত্ৰ-ছাত্ৰীৰ সৈতে ভ্ৰমণৰ ৰমণীয় অভিজ্ঞতা

ড° কমলেশ্বৰ ঠাকুৰীয়া
সহযোগী অধ্যাপক
অসমীয়া বিভাগ

গ্ৰীষ্মৰ শৰীৰ দেই নিয়া উষ্ম প্ৰবাহ, বৰ্ষাৰ উৎকট গৰম আৰু মুষলধাৰ বৰষুণৰ মেঘমল্লাৰে উদ্বাস্ত কৰা পৃথিৱীৰ বুকুলৈ শৰতে নমাই আনে এক গভীৰ প্ৰশান্তি। আকাশত উৰি ফুৰা উদ্দেশ্যহীন শুকুলা ডাৱৰ আৰু বতাহত হালিজালি পৰা কঁহুৱাৰ যুগলবন্দীয়ে আদিগন্ত মন প্ৰসাৰিত কৰি তোলে। শেৱালি-নেৱালি, পখীকুলৰ কলকণ্ঠই আগজাননি দিয়ে শাৰদীয় ৰাণীৰ আগমনৰ বতৰা। এনে সময়তে প্ৰায়ে এক মধুৰ প্ৰস্তাৱে যেন আমাৰ বাবে অপেক্ষা কৰি থাকে। কেইগৰাকীমান উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে আহি ক'বহি- চাৰ এইবাৰ আমি বাহিৰলৈ ফুৰিবলৈ যাম।

সেয়া আছিল ১৯৯৬ চন। কুৰিজনীয়া ছাত্ৰৰ দল এটি লৈ গৈছিলোঁ দিল্লীলৈ আৰু যোৱা বছৰো দিল্লীলৈ গৈছিলোঁ সত্তৰজন ছাত্ৰ-ছাত্ৰীৰ সৈতে। বিগত ওঠৰ বছৰৰ দুই এটা বছৰ বাদ দি প্ৰায় প্ৰতি বছৰে শিক্ষাৰ্থীসকলৰ সৈতে দেশৰ বিভিন্ন স্থানলৈ শিক্ষামূলক ভ্ৰমণৰ উদ্দেশ্যে গৈছোঁ। দিল্লী, চণ্ডীগড়, কুলু-মানালী, চিমলা, কলকাতা, দাৰ্জিলিং, কালিম্পং, গেংটক তদুপৰি চুবুৰীয়া দেশ নেপাললৈয়ো ধাৱমান হৈছোঁ। ভ্ৰমণ কালত ছাত্ৰ-ছাত্ৰীসকলৰ পচন্দৰ শিক্ষক-শিক্ষয়িত্ৰীসকল হ'ল ড° প্ৰাণেশ্বৰ নাথ, ড° ললিত চন্দ্ৰ ৰাভা, দীপাঞ্জলি কলিতা আৰু ভৈৰৱী বড়ো। প্ৰতিবাৰ ভ্ৰমণৰ আগতে আমি আটায়ে সংগবদ্ধ হৈ আলোচনাত মিলিত হওঁ।

যাত্ৰা আৰম্ভ হয় বাছেৰে বকোৰ পৰা গুৱাহাটীলৈ। ল'ৰা-ছোৱালীহঁতৰ অভিভাৱকসকল আহে আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীৰ ওপৰত যাতে দৃষ্টি ৰাখো তাৰ বাবে অনুৰোধ কৰে। সেই সময়ত ছাত্ৰ-ছাত্ৰীসকল অবধাৰিতভাৱে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একান্ত অনুগতহৈ পৰে। প্ৰাণেশ্বৰে ভাল পায় প্লেনত উঠি ঘূৰি ফুৰিবলৈ। সততে তেওঁ প্ৰস্তাৱ ৰাখে - ব'লক প্লেনেৰে দিল্লীলৈ যাওঁ। মই আকৌ ট্ৰেনত উঠি ভ্ৰমণ কৰিবলৈ ভাল পাওঁ। ছাত্ৰ-ছাত্ৰীসকলে মুহূৰ্ততে ট্ৰেনৰ নিৰ্দ্ধাৰিত ডবাটো এটা ৰূমলৈ পৰিৱৰ্তন কৰি নিজৰ বয়-বস্তু, সুবিধাজনক বহা ঠাই অন্তৰঙ্গজনৰ সৈতে ঠিক কৰি লয়। বহু সময়ত একেখন থালতে দুজনে খাবলৈ লোৱা দৃশ্য বৰ মনোৰঞ্জক হৈ উঠে। ট্ৰেনত ভ্ৰমণ কৰিলে এক বিশেষ সুবিধা হ'ল- খিৰিকিৰ কাষত বহি বাহিৰৰ দৃশ্য উপভোগ কৰা, যিটো সুবিধা প্লেনত পোৱা নাযায়। সাধাৰণতে কলকাতাৰ পৰা গুৱাহাটীলৈ অহা আকাশী পথত তলৰ দৃশ্যবোৰ পৰিদৃশ্যমান হয় এখন ভাসমান কেনভাচৰ দৰে। ওখ-চাপৰ পাহাৰৰ মাজে মাজে সিঁচৰতি হৈ থকা সেইবোৰ বা কি ঠাই, সমতল ভূমি কি নদীয়ে বা বিশৃঙ্খল ৰূপত চিৰাচিৰ কৰি থৈছে তাক অনুমান কৰাৰ উপায় নাই। বৰঝাৰ বিমান বন্দৰৰ ওচৰ পালেহে গম পোৱা যায় এয়া যে গুৱাহাটী। পিছে কলকাতাৰ পৰা দিল্লী বা চেন্নাই অভিমুখে বিমান উৰিলে বিমান বহু ওপৰত অৱস্থান কৰে বাবে যাত্ৰীয়ে ক'ত অৱস্থান কৰিছে তাৰ স্থিতিৰ উমান নাপায়। প্লেনত যাত্ৰা কৰিলে সদায়ে অন্তৰত এক মৃদু ভীতিয়ে ক্ৰিয়া কৰি থাকে। প্লেন যেতিয়া বায়ুমণ্ডলৰ ক্ৰমে ওপৰলৈ গতি কৰে বেচ কিছু অস্বস্তি অনুভৱ কৰা যায়; কিন্তু বিশেষকৈ সাগৰীয় পথত প্লেন যেতিয়া সুউচ্চতাত এক সৰল গতিত ধাৱমান হয়, আলসতে প্লেন ভাঁহি থকা যেন লাগে। সেই সময়খিনি বৰ সুখকৰ আৰু শঙ্কামুক্ত সময়। যেতিয়া মেঘৰো ওপৰত প্লেন গতিময় হৈ থাকে, বাহিৰলৈ চালে দেখা যায় কেৱল অনন্ত শূন্যতা। ট্ৰেনত কিন্তু ট্ৰেন যিমানে আগুৱাই নতুন নতুন দৃশ্য চকুত পৰিবলৈ ধৰে। ৰাস্তাৰ কাষৰ মূল্যবান গছ-বিৰিখ, চৰাই-চিৰিকটিৰ নিৰ্বিঘ্ন বিচৰণ দেখি মনলৈ এটাই ভাৱ আহে এয়া অসমত সম্ভৱনে? পথৰ কাষৰ বৃহৎ বৃহৎ শাল, চেগুণ, সৰল গছবোৰ দেখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত

গুঞ্জন আৰম্ভ হয় ইয়াত অসমৰ কাঠচোৰবোৰক এৰি দিলে বা কি কৰিব?

## দিল্লী

প্ৰথমবাৰ যেতিয়া দিল্লীলৈ গৈছিলোঁ, দিল্লী পাইছিলোঁ নিশা বাৰ বজাত। বেলষ্টেচনৰ কৰ্মব্যস্ত এগৰাকী বিষয়াক অসম ভৱনলৈ কেনেদৰে যাব পাৰি জানিব বিচৰাত অতি সহৃদয়তাৰে টেক্সি বা অটো ৰিক্সাত কিদৰে যাব লাগে বুজাই দি সহায় কৰিছিল। মানুহেৰে ভৰি থকা অসম ভৱনৰ বাৰাণ্ডাতে ৰাতিটো কটাই পিছদিনা সাংসদ প্ৰবীন শৰ্মাই থিক কৰি দিয়া চাউথ এভিনিউ এম. পি. ক্লাৱলৈ গ'লোঁ। দিল্লী মহানগৰীত এম. পি. ক্লাৱৰ দৰে সুচল ঠাইত থাকিবলৈ পোৱাটো সৌভাগ্যৰ কথা, তাকো বাইশজন ছাত্ৰ-শিক্ষকৰে তিনিদিনত মাত্ৰ এশ পঞ্চাশ টকাত। এই দিল্লী যাত্ৰাত আমাক সকলোপিনৰ পৰা সহায় কৰিছিল বকোৰ সমাজকৰ্মী, ব্যৱসায়ী দিল্লী নিবাসী শ্ৰীযুত চেনীৰাম ৰাভাই। তেখেতে সকলো সময়তে আমাৰ স'তে ঘূৰি ফুৰিছিল। বিৰলা মন্দিৰ, জৱাহৰলাল নেহৰু, ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধী, মেমৰিয়েল হল দৰ্শন কৰি ইণ্ডিয়া গেট আৰু পাৰ্লিয়ামেণ্ট হাউচ চাই ছিলোঁ। তাৰ পিচত গৈছিলোঁ লালকিল্লালৈ। মোগল যুগৰ চকু চাটমাৰি ধৰা পুৰণি মাৰ্বল পাথৰৰ স্থাপত্যসমূহ নেদেখিলে বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। লালকিল্লা গেটৰ সন্মুখত এক বিশাল বজাৰ। ৰংবিৰঙৰ আকৰ্ষণীয় বস্তুৰে গ্ৰাহকক সততে প্ৰলোভিত কৰে। এজন ছাত্ৰক 'ৰীল' এটা কিনিবলৈ দি গেটত বৈ আছিলোঁ। এগৰাকী পুলিচ বিষয়া আহি কিয় তাত বৈ আছোঁ সুধিলে। কথাখিনি কোৱাত তেখেতে ক'লে যে ইয়াৰ সকলো বস্তু নকল, ভিতৰতহে কিনিব লাগে। তেতিয়াহে মনত পৰিল আগতে তালৈ যাওঁতে চৰকাৰী গাইডে কৈ থৈছিল যাতে বাহিৰৰ কোনো বস্তু ক্ৰয় কৰা নহয়। কৈছিল ওচৰৰে চোৰ বজাৰৰ কথা। গাড়ী এখন হেনো তাত থৈ কিছুপৰ নহোৱা হ'লে গাড়ীৰ জকাটো হে পোৱা যাব। কি অদ্ভুত দেশ, কি অদ্ভুত ৰীতি। লালকিল্লা এবাৰতে চাই শেষ কৰিব পৰা বিষয় নহয়। ৰজা পাৰিষদবৰ্গৰে সৈতে ক'ত মিলিত হৈছিল, ৰজা-ৰাণী ক'ত থাকিছিল, ৰজা ক'ত বহিছিল, ক'ত যে বিচিত্ৰ কাৰুকাৰ্যখচিত মহল। লালকিল্লাৰ ভিতৰৰ বহু অংশ দৰ্শকৰ বাবে মুকলি কৰি দিয়া হোৱা নাই, তাত ভাৰতীয় সৈনিক থাকে। ৰাতি দৰ্শকৰ বাবে তাত এক দৃশ্য-শ্ৰব্য শ্ব' কৰা হয়। মুকলি প্ৰান্তত বহি শাৰী শাৰী অট্টালিকাবোৰ সামৰি কৰা এক অভূতপূৰ্ব দৃশ্য। মাথো এখন দৰ্জা ধোঁৱাৰে ধূষৰিত ৰঙা পোহৰত জ্বলি উঠে। এক অন্তৰভেদি যোৱা পুৰুষ কণ্ঠই মোগল সাম্ৰাজ্য বৃটিছৰ দ্বাৰা কিদৰে আক্ৰান্ত হৈছিল তাৰ বিৱৰণ দি যায়। লগে লগে ভয়ত আৰ্তনাদ কৰি উঠা সম্ৰাটসকলৰ ল'ৰা-তিৰোতা, জীয়ৰী-বোৱাৰীসকলে সশব্দে এফালৰ পৰা দৌৰি পলাবলৈ যত্ন কৰে। দেখা নাযায় কিন্তু এনেকুৱা ডিজিটেল চাউণ্ড শ্ব' কৰে যেন সেয়া চকুৰ সন্মুখতে ঘটি আছে কিদৰে অসহায় ৰাজপৰিয়াল পলাবলৈ যত্ন কৰিছে।

মহাত্মা গান্ধীৰ সমাধিক্ষেত্ৰ ৰাজঘাটলৈ বহু আঁতৰতে গাড়ী ৰাখি খোজ কাঢ়ি যাব লাগে। দেশ-বিদেশৰ ৰাষ্ট্ৰনায়কসকলে এই পবিত্ৰ ক্ষেত্ৰ দৰ্শন কৰি সমাধিত মাল্য অৰ্পণ কৰে। এখন আধুনিক ষ্টেডিয়ামৰ আৰ্হিত তৈয়াৰ কৰা সমাধি ক্ষেত্ৰৰ মধ্য স্থানত আছে এক অক্ষয় বন্তী। দৰ্শনাৰ্থীসকলে তাত পুষ্প অৰ্পণ কৰে। দিল্লী এক জনবহুল বিৰদি বাট নপোৱা মহানগৰ। এই মহানগৰতে নেহেৰু পৰিয়ালৰ স্মৃতিৰ নামত নেহৰু পাৰ্কৰ দৰে জনশূন্য পাৰ্ক সঁচাকে বিস্ময়কৰ। গান্ধীসমাধি ক্ষেত্ৰও জনপ্ৰাণীবিহীন সুবিশাল উন্মুক্ত প্ৰান্ত। একেদৰে বিৰাট সেই কংক্ৰিটৰ চহৰৰ মাজত অৱস্থিত হৈ আছে শান্ত-সৌম্য লোটাচ টেম্পল। তাত হেজাৰ-বিজাৰ মানুহৰ সমাগম অথচ নাই কোনো হাই-উৰুমি। পদুম ফুলৰ আৰ্হিৰ মন্দিৰটোৰ ভিতৰৰ প্ৰৱেশ পথত থাকে বিদেশী স্বেচ্ছাসেৱক। ভৰতীয় সাজ বিশেষকৈ নীলা শাৰী পিন্ধা শুভ্ৰবৰণৰ যোড়শী গাভৰুসকলে আহি বিনম্ৰতাৰে মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰাৰ দিহা-পৰামৰ্শ আগবঢ়ায়। কাহ পৰি জীন যোৱা সেই পৰিৱেশত অনেক ভিন্নধৰ্মী লোক ধ্যানমগ্ন হৈ থকা দেখা যায়। পৰিচালকসকলৰ সৈতে ল'ৰা-ছোৱালীসকলে ফটো উঠি বৰ ভাল পায়। তেওঁলোকেও আন্তৰিকতাৰে সহযোগ কৰে, কিন্তু কোন দেশৰ নাগৰিক জানিব খুজিলে সেয়া মানা বুলি প্ৰত্যাখ্যান কৰে।

দিল্লীত পৰ্যটকসকল থকাৰ বাবে প্ৰশস্ত ঠাই হ'ল পাহাৰগঞ্জ এলেকা। অসংখ্য লজ আৰু হোটেলত থকা-খোৱাৰ সুবিধা আছে। আজিকালি পাহাৰগঞ্জৰ নাতিদূৰৈত অক্ষৰধাম নামৰ এক অত্যাধুনিক মন্দিৰ গঢ়লৈ উঠিছে। আচলতে মন্দিৰ নুবুলি পৰ্যটন ক্ষেত্ৰহে বুলিব পাৰি। চাই হেঁপাহ নপলোৱা, খাই অন্ত কৰিব নোৱাৰা অফুৰন্ত সম্ভাৰ। মন্দিৰৰ ভিতৰত কিছুমান গেৰুৱা বস্ত্ৰ অপৰিপাটিকৈ পৰিধান কৰি ফুৰা বিদেশী পৰ্যটক দেখা যায়। ওৰহি গছৰ ওৰ তেতিয়াহে ওলাল যেতিয়া প্ৰতিৰূপ

বায়নেও গেৰুৱা বসন পৰিধান কৰিবলগীয়া হ'ল। অনেক বিদেশী পৰ্যটকে হয়তো গ্ৰীষ্ম প্ৰবাহৰ বাবে দৃষ্টিকটু সাজ পৰিধান কৰি দিল্লী ঘূৰি ফুৰে। পিছে অক্ষৰধামত সেইটো নচলিব, ভৰি ঢাকি অঙ্গবস্ত্ৰ পৰিধান কৰিব লাগিব। প্ৰতিৰূপেও গেৰুৱা সাজ পিন্ধিছিল কাৰণ তেওঁ লংপেণ্টৰ সলনি হাফপেণ্ট পিন্ধিছিল। নিশা তাত শব্দ, পোহৰ আৰু পানীৰ এক মায়াময় ক্ৰীড়া অনুষ্ঠিত হয়। পানীবিহীন দ-বহল পুখুৰী এটাৰ চাৰিওফালে দৰ্শকসকল বহি লয়। আন্ধাৰত পুখুৰীৰ মাজত কৃত্ৰিম পানীৰ ফোৰাৰাৰ পৰা পানী বিচিত্ৰ ৰূপত বহু দূৰলৈ চিটিকি যায়। তাত ভিন্ন ৰঙী পোহৰ আৰু সংগীতৰ সমাহাৰে এক ইন্দ্ৰজালৰ সৃষ্টি কৰে। হৰ্ষধ্বনিৰে চৌদিশ মুখৰিত হৈ পৰে। শ্ব'ৰ অন্তত মন-প্ৰাণ এক বিমল আনন্দৰে উপচি পৰে।

দিল্লীৰ জামামছজিদৰ সন্মুখৰ মিনাবজাৰখন মোৰ অনন্ত আকৰ্ষণৰ কেন্দ্ৰবিন্দু। মুখ্যতঃ ইছলামধৰ্মী লোকসকলৰ ব্যৱসায়িক কেন্দ্ৰ মিনাবজাৰত পাকিস্তানত নিৰ্মিত অনেক বস্তু পোৱা যায়। ভাৰতীয় সংগীত আৰু পাক্‌সংগীতৰ মাজত বৰ বিশেষ পাৰ্থক্য নাই। মাথো তাত ব্যৱহৃত হয় সৰ্বাধিক উৰ্দুভাষা। তথাপি পাকিস্তানী সংগীতৰ এখন মুক্ত বজাৰ আমাৰ দেশত নাই। মিনাবজাৰত উপলব্ধ পাকিস্তানী সংগীতৰ দৃশ্য-শ্ৰব্য চি,ডি, বোৰৰ যোগেদি সেই দেশৰ সংগীত শ্ৰৱণ কৰি এক অনিৰ্বচনীয় আনন্দ লাভ কৰিব পাৰি।

## আগ্ৰা

মোগল সম্ৰাটসকলৰ অন্য এক অমৰ কীৰ্ত্তি হ'ল আগ্ৰাফৰ্ট। লালকিল্লাৰ দৰে মোগল সম্ৰাটসকলে আগ্ৰাৰ দুৰ্গৰ পৰাও দেশৰ শাসন কাৰ্য চলাইছিল। আগ্ৰাৰ দুৰ্গৰ সৈতে বিজড়িত হৈ আছে আকবৰ, ছাজাহান, ঔৰংজেৱ আদি প্ৰসিদ্ধ সম্ৰাটসকলৰ তেজে ধোঁৱা ইতিহাস। আকবৰৰ হিন্দু পত্নী যোধা বেগমৰ হাউলি, জাহানাৰা আৰু নুৰজাহানৰ হাউলি, সম্ৰাটসকলে বিভিন্ন উপলক্ষত ব্যৱহাৰ কৰা কাৰুকাৰ্য খচিত দৰবাৰসমূহে এগৰাকী ভাৱপ্ৰৱন লোকক সততে লৈ যাব পাৰে সেই যুগলৈ । ছাজাহানৰ অন্তিম জীৱনৰ লোকগাথা অনুভৱ কৰিব পাৰি বৃদ্ধ অৱস্থাত ঔৰংজেৱে বন্দী কৰি থোৱা সেই বিশেষ পোতাশালটো চায়। সম্ৰাটে বন্দীশালৰ পৰা অনতি দূৰৈত অৱস্থিত মৰমৰ পত্নী মমতাজৰ স্মৃতিত নিৰ্মিত তাজমহল যিখন সৰু খিৰিকিৰে চাই থাকিছিল, সেই খিৰিকিখন গ্ৰীলসহ একেদৰেই আছে। বৰ্তমান পৰিত্যক্ত সেই বন্দীশালটো চালে অজানিতে এক অব্যক্ত বেদনাই মনটো আচ্ছন্ন কৰি তোলে। বন্দীশালৰ সৈতে সংলগ্ন অট্টালিকাৰ চাদৰ পৰা চালে সুদূৰৈত প্ৰেমৰ মহিমাৰে গৌৰৱোজ্বল সৌধ তাজমহল ভাসমান হৈ উঠে ৰেঁনেছাঁছ যুগৰ বিস্ময়কৰ শিল্পী লিঅ'নাৰ্ডো দ্যা ভিন্সি বা মাইকেল এঞ্জেলোৰ একোখন তৈল চিত্ৰৰ দৰে।

ৰেডফৰ্টৰ পৰা আহি তাজমহল চাবলৈ গেটেৰে প্ৰৱেশ কৰাৰ লগে লগে তাজমহলৰ বিমূৰ্ত্ত ৰূপ উদ্ভাসিত হৈ চকু চাটমাৰি ধৰে। কি যে এক অপাৰ্থিব সৌন্দৰ্য যমুনা তীৰ স্থিত মৰ্মৰ এই বগা পাথৰৰ স্মৃতি সৌধৰ। তাজমহল স্বচক্ষে প্ৰত্যক্ষ কৰা আৰু তাত প্ৰৱেশ কৰা এক বুজাব নোৱাৰা অভিজ্ঞতা। তাজমহলৰ চৌদিশ ঘূৰি, স্পৰ্শ কৰি এক অনাবিল পুলক অনুভৱ কৰা যায়। ভিতৰত কৃত্ৰিমভাৱে তৈয়াৰী চাজাহান-মমতাজৰ সমাধিৰ কাষত ফটো উঠিবলৈ পুলিচ-স্বেচ্ছাসেৱকৰ দাবি-ধমকি সমীহ নকৰি দৰ্শকসকলৰ হেতা-ওপৰা লাগে। অনেকে তাজমহলৰ বাকৰিত বহি-শুই তাজমহলৰ সৌন্দৰ্য দীৰ্ঘ সময় ধৰি উপভোগ কৰে। বুৰঞ্জীৰ এক কলীয়া অধ্যায় হ'ল ইংৰাজসকলৰ ভাৰত লুণ্ঠন। কহিনুৰ হীৰা, ময়ুৰ সিংহাসন মোগলৰ বেলিমাৰ যুগতে অপহৃত হৈছিল; কিন্তু ইংৰাজসকলৰ লুণ্ঠন আছিল আৰু নিষ্ঠুৰ। লালকিল্লাৰ আৰু আগ্ৰাৰ দুৰ্গৰ অট্টালিকাসমূহৰ বেৰত অঙ্কিত চিত্ৰসমূহ সোণ, ৰূপ, হীৰা-মুকুতাৰে খোদিত আছিল। একেদৰে তাজমহলৰ বহিঃভাগৰ বেৰত সৰ্বত্ৰ মোগল শৈলীৰ চিত্ৰৰে ভৰপূৰ আৰু সেয়াও আছিল সোণ-ৰূপকে আদি কৰি মহামূল্যবান ধাতুৰে খোদিত। ইংৰাজ শোষকে চিত্ৰৰ সেই মহামূল্যবান ধাতুবোৰ খান্দি খান্দি একৰাই লৈ যোৱা চিহ্নসমূহ চন্দ্ৰৰ বুকুৰ কলা দাগৰ দৰে উকা হৈ আছে। পূৰ্বৰ দৰে অক্ষত অৱস্থাত থকা হ'লে এই কৃতি স্থাপত্যসমূহৰ আবেদনেই অকল্পনীয় হ'লহেঁতেন। মমতাজৰ অকাল মৃত্যু হৈছিল সঘনাই সন্তান সম্ভৱা হোৱা বাবে। ভাৰতবৰ্ষৰ আটাইতকৈ ওখ শৈলস্তম্ভ কুতুবমিনাৰকলৈয়ো মুখৰচক অথচ চিন্তা উদ্ৰেককাৰী কাহিনী এটি শুনিবলৈ পোৱা যায়। সম্ৰাট কুতুবুদ্দিন যুদ্ধ জয় কৰি দেশলৈ ওভোতাৰ সময়ত পত্নীয়ে এই বৃহৎ স্মাৰকটো নিৰ্মাণ কৰে। সন্তুষ্ট পত্নীয়ে স্থপতিবিদ গৰাকীক কি লাগিব জানিব বিচৰাত তেওঁ বিচাৰিলে মাত্ৰ এটি চুমা। চুলতান ঘূৰি আহি ৰাণীৰ গালত দাগ দেখি তাৰ কাৰণ সুধিলে। ৰাণীয়ে আদ্যন্ত ভাঙি কোৱাত ক্ষুব্ধ সম্ৰাটে স্থপতিবিদক হত্যা কৰিবলৈ খেদি গ'ল। স্থপতিবিদে দৌৰি কুটুবমিনাৰত উঠি চিৰি বগাই ওপৰলৈ গৈ চিৰদিনৰ বাবে অন্তৰ্দ্ধান হৈ গ'ল। আশ্চৰ্যজনক ভাবে চুলতানে তেওঁক আৰু কোনো দিন বিচাৰি নেপালে।

কুতুবমিনাৰৰ উপৰিও মিনাৰ চৌহদৰ মছজিদ, লোহাৰ স্তম্ভ, আলাই মিনাৰ ও গৰৱাজা, আলাউদ্দিন মাদ্ৰাছা আদি প্ৰতিটো নিৰ্মাণ কাৰ্যই যুগ যুগ ধৰি পৰ্যটকক আকৰ্ষণ কৰি আহিছে। কুতুবমিনাৰ চৌহদৰ কুতুবমিনাৰ আৰু লোৰ স্তম্ভৰ বাহিৰে প্ৰায় আটাইবোৰ নিৰ্মাণ কাৰ্যই অৰক্ষয়ৰ গৰাহত পৰিছে। অৱশ্যে স্থাপত্যসমূহৰ এই অৱক্ষয়ে তাক অধিক ৰহস্যময় কৰি তুলিছে।

আগ্ৰাৰ পৰা দিল্লীলৈ উভতাৰ পথত মথুৰা-বৃন্দাবন দুই পূণ্য তীৰ্থস্থান চাব পাৰি। অতি ওখ ভেটিত অৱস্থিত সুবৃহৎ মথুৰাৰ শ্ৰীকৃষ্ণ মন্দিৰটো আমাৰ নামঘৰৰ আকৃতিৰ । মন্দিৰ পৰিচালনা অতি পৰিপাটি, শৃঙ্খলাপূৰ্ণ। ভগৱান শ্ৰীকৃষ্ণৰ লীলাভূমি বৃন্দাবন অনেক প্ৰাচীন মঠ-মন্দিৰ, স্থাপত্য-ভাস্কৰ্যৰে পৰিপূৰ্ণ হৈ আছে। সাংসাৰিক জীৱনত উদ্বাস্তু হৈ পৰা বিধবাসকল, মন্দিৰৰ গৰু আদিৰ বাবে ভক্তসকলে দান-দক্ষিণা দিয়ে। পিচে মূল মন্দিৰৰ পুৰোহিতৰ চাতুৰ্যহে অসহনীয়। ভক্তসকলক কাপোৰেৰে ঢাকি থোৱা বিগ্ৰহৰ ওচৰত বহিবলৈ দি ধীৰে ধীৰে তেওঁ কাপোৰ আঁতৰাই দানৰ অৰ্থে ধন দাবী কৰে। ত্ৰাসিত অনেক ভক্তই দান দিবলৈ বাধ্য হৈ পৰে।

পূৰ্বে দিল্লীলৈ যাওঁতে দৰ্শনীয় সকলো বিষয়বস্তু নিৰ্বিঘ্নে সচলভাবে ঘূৰি ফুৰি চাব পৰা এক পৰিৱেশ আছিল। পিছে যোৱাবাৰ ছাত্ৰ-ছাত্ৰীৰে সৈতে দিল্লীলৈ গৈ তবধ মানিলোঁ। দিল্লীৰ সকলোতে বিৰদি বাট নোপোৱা মানুহ আৰু মানুহ। জুমামছজিদৰ মিনা বজাৰত প্ৰৱেশ কৰিয়ে ওলাই আহিলোঁ। গাত গা লগা মানুহ। তাজমহলৰ ব্যৱস্থা আৰু ভয়াবহ, অন্তহীন মানুহৰ শাৰী, পুলিচৰ তালাচী। তাজমহলৰ ওপৰত বহি তাৰ সৌন্দৰ্য্য উপভোগ কৰাৰ দিন আৰু নাই, নাই যমুনা নদীৰ ৰূপ পৰ্য্যৱেক্ষণ কৰাৰ সুবিধা। এফালেদি তাজমহলত প্ৰবেশ কৰি লগে লগে অন্য ফালেদি প্ৰস্থান কৰিব লাগে।

## দাৰ্জিলিং

ছাত্ৰ-ছাত্ৰীসকলৰ আটাইতকৈ প্ৰিয় ঠাই হ'ল দাৰ্জিলিং। দাৰ্জিলিং নামটোতে কি যে এক সন্মোহনী শক্তি লুকাই আছে। ৰাতিপুৱাই গুৱাহাটীত ট্ৰেনত উঠিলে দুপৰীয়া শিলিগুৰি আৰু শিলিগুৰিৰ পৰা গাড়ীৰে সন্ধিয়াপৰত দাৰ্জিলিং পাব পাৰি। শিলিগুৰিৰ গা ঘামি যোৱা উত্তাপৰ বিপৰীতে দাৰ্জিলিঙত উপস্থিত হৈয়ে গা কঁপি যোৱা ঠাণ্ডা বেচ আমোদজনক। প্ৰস্তাৱিত দাৰ্জিলিং জিলাত সমতল প্ৰায় পাবলৈ নাই। পাহাৰৰ খাজে খাজে গঢ়ি উঠা দাৰ্জিলিং চহৰখন অনন্ত আকৰ্ষণৰ কেন্দ্ৰবিন্দু। দেশী-বিদেশী সামগ্ৰীৰে দোকানবোৰ উভৈনদী হৈ থাকে। দামো সুলভ। মাউণ্টেন ক্লাব, চিৰিয়াখানা, ৰক গাৰ্ডেন, টাইগাৰ হিলচ, গ্ৰীণ ভেলি কত যে চাবলগীয়া বস্তু। চহৰখনৰ সকলো ঠাইৰ পৰা পৰিদৃশ্যমান শুভ্ৰ বৰফাবৃত কাঞ্চনজংঘাৰ নৈসৰ্গিক সৌন্দৰ্যই দাৰ্জিলিঙক দেৱভূমিলৈ ৰূপান্তৰিত কৰিছে। সুবিধাজনক ঠাইত অৱস্থান কৰি পৰ্বতৰ এই মনপ্ৰাণ হৰিনিয়া দৃশ্য চোৱাৰ আমেজেই সুকীয়া। সেইবাৰ দাৰ্জিলিঙলৈ যাঁওতে ট্ৰেনৰ পৰা নমাৰ পৰাই বৰষুণ। বতৰ বিজ্ঞান মতে যিকোনো মুহূৰ্ততে শিলিগুৰি পানীত ডুব যাব পাৰে। বৰষুণ আহিলে আকৌ দাৰ্জিলিঙৰ সকলো সৌন্দৰ্যই ম্লান পৰি যায়। ললিত আৰু মই বেজাৰ মনে দাৰ্জিলিঙৰ হোটেলত আমনিদায়ক বৰষুণৰ উৎপীড়ন সহি শুই থাকিলোঁ। পুৱা সাৰ পাই খিৰিকিৰে দেখোঁ বাহিৰত ৰ'দে জলমলাই আছে। দেখোঁ চকুৰ সন্মুখতে অপৰূপা সৌন্দৰ্যৰ ৰূপমাধুৰি কাঞ্চনজংঘা তিৰবিৰাই আছে। ললিতক জগাই দি উৎফুল্লিত হৈ ক'লোঁ - ব'লা ললিত বাহিৰলৈ যাওঁ। টাইগাৰ হিলচৰ সূৰ্যোদয় চাবলৈ পৰ্যটকসকল তিনিমান বজাতে তালৈ যাব লাগে। হোটেলবোৰৰ সন্মুখত চিএৰ-বাখৰ লাগি পৰে 'টাইগাৰ হিলচ, চান ৰাইজ।' টাইগাৰ হিলচৰ একেবাৰে ওপৰলৈ গাড়ী যাব নিদিয়ে। সেয়ে পৰ্যটকসকল সেইছোৱা পথ খোজ কাঢ়িয়ে যায়। ৰাস্তা সূচল কিন্তু অকোৰা-পকোৰা। সুবিধাজনক ঠাই ল'বলৈ কিছুমানে লুঙলুঙীয়া পথেৰে আগবাঢ়ে। লগে লগে মানুহ উবুৰিহৈ পৰে চুচৰি-বাগৰি পথ বগাবলৈ। পোহৰ হ'লেহে গম পোৱা যায় সেয়া কি ভুল পথ, ওচৰতে পকা আহল-বহল পথ আছে। সূৰ্যোদয়ৰ লগে লগে উত্তৰ দিশত ঘনে ঘনে বৰণ সলোৱা হিমালয়ৰ সৌন্দৰ্যই মানুহক অভিভূত কৰি তোলে। ভূমিস্খলন পাহাৰীয়া ঠাইৰ আকস্মিক দুৰ্ঘটনা। দাৰ্জিলিঙৰ ৰকগাৰ্ডেন চাৰিওফালে পাহাৰে আগুৰা এটুকুৰা শিল জুৰিৰে ভৰা সমভূমি এলেকা। সম্প্ৰতি আশ্চাৰ্যজনক ভাবে পাহাৰৰ বৃহৎ অংশ এটাৰ ভূমিস্খলন হৈ গোটেই গাৰ্ডেনখনকে ধ্বংস কৰি পেলাইছে। প্ৰকৃতিৰ কি যে ভয়াবহ ৰূপ। তাকে পুনৰ মেৰামতি কৰি পৰ্যটকৰ বাবে মুকলি কৰি ৰখা হৈছে। বৰফি নামৰ হিন্দী ছবিখনৰ শ্বুটিং হৈছিল দাৰ্জিলিঙৰ ঘুম ষ্টেচনত। এতিয়া দাৰ্জিলিঙৰ ষ্টেচনৰ পৰা ঘুমলৈ এক প্ৰমোদমূলক ট্ৰয়ট্ৰেনৰ জাৰ্নি হয়। ইঞ্জিনৰ ধোঁৱা সহ্য কৰিব পাৰিলে পথছোৱাৰ ভ্ৰমণ বেচ আনন্দদায়ক ।

চিকিমলৈ যোৱাৰ পথত কালিম্পং। দূৰৰ পৰা পাহাৰৰ শীৰ্ষত অৱস্থিত চহৰখন এনে দেখি যেন এজোপা বৃহৎ গছত

জাক-জাক বগলীহে পৰি শুভ্ৰ হৈ আছে। পাহাৰত অৱস্থিত ঠাইবোৰৰ বিশেষ বৈশিষ্ট্য হ'ল পাহাৰৰ কাষেৰে ৰাস্তা, ৰাস্তাৰ কাষৰ খৰস্ৰোতা নৈৰ প্ৰবাহমান গতি। কলিম্পংৰ ওখ পৰ্যটনক্ষেত্ৰৰ পৰা পাহাৰৰ মাজেৰে বৈ যোৱা ভয়াবহ অথচ দৃষ্টিনন্দন তিস্তা নদীৰ সৌন্দৰ্য চাই হেঁপাহ নপলায়। গেংটকলৈ যোৱাৰ পথতো এই নদীখনৰ তীব্ৰগতি দেখিলে থৌকি বাথৌ অনেক বিশৃঙ্খল ভাব মনলৈ আহে। অকণমান ঠাইতে পাহাৰৰ শীৰ্ষত কালিম্পং চহৰখন বৰ বিচিত্ৰ ৰূপত গঢ়লৈ উঠিছে। কলকাতাৰ ভিক্টোৰীয়া মেম'ৰিয়েল হল, চাইন্স চিটি, ওক'লেণ্ড, বিবেকানন্দ উৰণীয়া সেতু, দীঘাৰ পাৰ, কিতাপৰ বজাৰ প্ৰত্যেকৰে সুকীয়া সুকীয়া আকৰ্ষণ আছে। বিশেষকৈ চাইন্স চিটিৰ জাপানী প্ৰযুক্তিৰে তৈয়াৰী প্লেনেটৰীয়ামৰ শ্ব' অতি বিস্ময়কৰ। নিৰ্দ্ধাৰিত আসনত বহি থাকোতেই লৈ যায় হাওৰা ব্ৰীজৰ তললৈ, পূজা থলীলৈ। চকুৰ সন্মুখত বিদ্যমান বস্তুবোৰ চুই চাব পাৰি আৰু তেতিয়াহে বুজা যায় যে ই এক কৃত্ৰিম ব্যৱস্থাহে, প্ৰযুক্তিবিদ্যাৰ অভিনৱ চমক। ইয়াৰ জৰিয়তে বিশেষভাৱে মহাকাশ ভ্ৰমণ এক ৰোমাঞ্চকৰ ভৌতিক কাৰ্যব্যৱস্থা।

### গেংটক

চিকিমৰ ৰাজধানী গেংটক পৰ্যটকৰ বাবে এক আকৰ্ষণীয় ঠাই। পাহাৰীয়া এই অনুপম মূল চহৰখন খোজকাঢ়িয়ে চাব পাৰি। প্ৰথম দৃষ্টিতে এখন বিদেশী চহৰ যেন লগা গেংটক বিদেশী পৰ্যটকেৰে ভৰি থাকে। চাৰিওফালে পাহাৰ আৰু পাহাৰৰ মাজে মাজে অফিচ-কাছাৰি, স্কুল-কলেজ, হোটেল, দোকান-পোহাৰ আৰু জনবসতি। পাহাৰত অৱস্থিত বাবে গেংটক চহৰখনৰ বিস্তৃতি সাধাৰণতে দৃষ্টিত স্পষ্টকৈ নপৰে; কিন্তু আঁতৰৰ ভিউপইণ্টবোৰৰ পৰা গেংটক এখন ছবি যেন লাগে। ওখ পাহাৰ, প্ৰতিখন পাহাৰ আধুনিক কাৰিকৰী বিদ্যাৰে নিৰ্মিত বৃহৎ অট্টালিকাৰে ভৰা। গেংটক চহৰৰ পৰা ৩ কিঃমিঃ আঁতৰত সাগৰপৃষ্ঠৰ পৰা ১২,৪০০ফুট উচ্চতাত আছে বিখ্যাত চঙ্গুলেক। চঙ্গুলেক গেংটকত পৰ্যটকৰ প্ৰথম পচন্দ। পাহাৰৰ ওপৰত একে ঠাইতে পাকখাই থকা ক্ৰমাগত উৰ্দ্ধমুখী ৰাস্তা। বিভিন্ন জান-জুৰি, গছ-বিৰিখেৰে আবৃত জনকোলাহলবিহীন বিস্ময়কৰ প্ৰকৃতিৰ ৰম্যভূমি। সুউচ্চতাত চাৰিওফালে পাহাৰে ঘেৰা এক সংকীৰ্ণ সমভূমি। তাতে চঙ্গুলেক অৱস্থিত। হ্ৰদটোৰ এটা পাৰে ৰাস্তা, ৰাস্তা কাষত দোকান- পোহাৰ, সৈনিকসকলৰ অফিচ, আবাহগৃহ আদি। কিছু আঁতৰত নাথুলা পাচ। নৱেম্বৰৰ পৰা চাৰিওফালে বৰফ জমা হ'বলৈ ধৰে। প্ৰদূষণমুক্ত হোৱা বাবে আকাশখন গভীৰ নীলা দেখি আৰু আকাশখনে পাহাৰবোৰ চুই থকা যেন অনুভৱ হয়। চঙ্গুৰ পাৰত থিয় হ'লে কিবা এক অন্য লোকত প্ৰৱেশ কৰা যেন লাগে। বহু হিন্দী ছবিৰ চুটিং ইয়াত হয়। গেংটকৰ চৰ্টেন আৰু ৰুমটেক বিখ্যাত বৌদ্ধ মনাষ্ট্ৰী। মনাষ্ট্ৰীৰ গেৰুৱা সাজ পিন্ধা মংসকলৰ জীৱন নিৰ্বাহ কৌতুহলৰ বিষয়। গেংটক এখন অপৰাধমুক্ত চহৰ; কিন্তু নাথুলা পাচ মুক্ত কৰি দিয়াৰ পিছত তাত কিছু বাংলাভাষী লোকৰ দৌৰাত্ম্য আৰম্ভ হৈছে। শেহতীয়াভাৱে হৈ যোৱা এক প্ৰবল ভূমিকম্পই চহৰখনৰ প্ৰভূত ক্ষতিসাধন কৰিছে।

### কুলু-মানালী

কুলু-মানালীলৈ যোৱাৰ পথত চণ্ডিগড় আৰু চিমলাতো একোদিন অতিবাহিত কৰিছিলোঁ। পৰিকল্পিত চহৰ চণ্ডিগড়ৰ গোলাপৰ বাগিছা, পৰিত্যক্ত বস্তুৰে তৈয়াৰী বিশাল পাৰ্ক আৰু চহৰৰ কাষৰ হ্ৰদটো চাই পিচদিনা নিশা চিমলালৈ যাত্ৰা কৰিছিলোঁ ওখৰা-মোখৰা পাহাৰ আৰু এঢলীয়া সমতলৰ মাজে মাজে। চণ্ডিগড়ৰ উষ্ম পৰিৱেশৰ পৰা ৰাতি চিমলা পাওঁতে তাত ভীষণ শীতপ্ৰৱাহ। ৰাতিপুৱা ঘোঁৰাত উঠি খুফৰী এলেকা চাই ছাত্ৰ-ছাত্ৰীসকলে বৰ আনন্দ পালে। চিমলাৰ পৰা কুলু-মানালীলৈ পাহাৰ আৰু সমতলৰ মাজে মাজে পাহাৰীয়া নদীৰ পাৰে পাৰে বাছ গতি কৰে। দুফালে দুখন শিলাময় পাহাৰ, মাজত গভীৰ কোঁবাল সোঁতে বৈ যোৱা নদী আৰু নদীৰ কাষেৰে ৰাস্তা। কুলুপোৱাৰ আগত ব্যাস আৰু সৰস্বতী নদীৰ ভয়াবহ ৰূপ দেখিলে বুকু কঁপি উঠে। পাহাৰৰ মাজৰ ঠেক কুলু উপত্যকা যেন দেৱ-দেৱীৰহে ৰম্যস্থান। সুউচ্চ পাহাৰ পৰ্বতৰ মাজৰ নিৰ্জন শান্ত কুলু উপত্যকা প্ৰকৃতিৰ কি যে বিনন্দীয়া অৱদান। মানালীলৈ যোৱা পথটোৱে সংকীৰ্ণ কুলু উপত্যকা দুফাল কৰি ক্ৰমান্বয়ে অগ্ৰসৰ হৈছে হিমালয়ৰ দিশে। প্ৰকৃতিয়ে অকৃপণভাৱে ৰূপসুধা বাকি দিয়া মানালী হিমালয়ৰ নামনিৰ পৰ্যটকৰ বাবে অতি আকাৰ্ষণীয় ঠাই। মানালীৰ পৰা কিছু আঁতৰত ৰোটাংপাচ প্ৰকৃতিৰ অনবদ্য সৃষ্টি। বাছৰ পৰা নমাৰ লগে লগে হাড় কঁপোৱা এক উচ্ছল বতাহে অতিথিক স্বাগতম জনায়। শীতত বৰফাবৃত ৰোটাংপাচৰ এটাই চাবলগীয়া বিষয়- সেয়া হ'ল প্ৰকৃতিৰ বিস্ময়কৰ সৃষ্টি এই নীৰৱ -নিৰ্জন জন শূণ্য বিৰল হিমালয়ৰ পাদপ্ৰান্ত। দৃষ্টিয়ে ঢুকি নোপোৱা দূৰত্বলৈ বক্ৰ

সমভূমি। সুউচ্চ পাহাৰ চুই আকাশখনে যেন অঞ্চলটো আৱৰি ধৰিছে। এজন ল'ৰাই তাত কফি বিক্ৰী কৰি আছিল। শীতল বতাহে আকণ্ঠ শুকাই নিয়া যাত্ৰীসকল উবুৰি হৈ পৰে একাপ কফিৰ বাবে। মানুহবোৰ আঁতৰি গ'লে পেলাই দিয়া গিলাচবোৰ তুলি পুনৰ ব্যৱহাৰ কৰে। গিলাচবোৰ ক'ত চাফা কৰে বুলি প্ৰশ্ন কৰাত ক'লে- চাফা কৰিবলৈ ইয়াত ক'ত পানী পাব ? তেনে গিলাচ এটাতে বাকি দিয়া কফি একাপ ময়ো পৰম তৃপ্তিৰে গলাধঃকৰণ কৰিবলৈ ললোঁ।

## পোখৰা

চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ প্ৰধানকৈ কাঠমাণ্ডু আৰু পোখৰা চহৰ শিক্ষাৰ্থীসকলৰ সৈতে কৰা ভ্ৰমণ শিক্ষক জীৱনৰ মোৰ বাবে এক ৰমণীয় অভিজ্ঞতা। শিলিগুৰিৰ পৰা কাকৰভিট্টালৈ বিধ্বস্তপ্ৰায় ৰাস্তাৰে আমনিদায়ক যাত্ৰাৰ অন্তত সীমান্তৰ মেচিনদীৰ দলং পাৰহৈ নেপালগেট। তাত সমান্য তালাচী। আগেয়ে নেপালৰ কাকৰভিট্টা এখন মজলীয়া ধৰণৰ চহৰ আছিল। পিচে দ্বিতীয়বাৰ ললিতৰ সৈতে নেপাললৈ যাওঁতে দেখিলোঁ কাকৰভিট্টা চিনিব নোৱাৰাকৈ সলনি হৈ এক বিৰাট ব্যৱসায়িক কেন্দ্ৰলৈ পৰিৱৰ্তিত হৈছে। হোটেলত কিছু জিৰণি লোৱাৰ পিচত কাঠমাণ্ডু বা পোখৰালৈ যাত্ৰা আৰম্ভ হয়। তিনিওখন চহৰৰ মাজৰ দূৰত্ব একে নহ'লেও এখন চহৰৰ পৰা আনখন চহৰলৈ যাওঁতে একে সময় লাগে। ৰাতি যাত্ৰা আৰম্ভ কৰিলে কাঠমাণ্ডু বা পোখৰা পোৱা যায় ৰাতিপুৱা। দিনত কৰা যাত্ৰাৰ এক সুকীয়া মাদকতা আছে। প্ৰকৃতিয়ে হিয়া উজাৰি দিয়া নৈসৰ্গিক দৃশ্যই মনত বিস্ময়ৰ ভাৱ জগাই তোলে। চৌদিশে পাহাৰ, গছ-গছনি আৰু নদীৰ অপূৰ্ব দৃশ্য। নদীবোৰ তীব্ৰ বেগী। বাৰিষা ভৰপূৰ নদীৰ পানীৰ ৰং হৈ পৰে ইষৎ ক'লা। ভৰবাৰিষাতো দেখা যায় কিছুমান নদীত উপচি পৰা পানী, কিছুমান পানীহীন বালিৰে পৰিপূৰ্ণ নদী আৰু কিছুমান নদীৰ বুকু কেৱল শিলেৰে ভৰা। প্ৰায় এবেলা সমতলীয় ভূমিৰে যাত্ৰাৰ অন্তত আৰম্ভ হয় পাহাৰীয়া ৰাস্তা। ৰাস্তাত অনেক সৰু-বৰ নদী পোৱা যায় যদিও সততে লগ পোৱা যায় ত্ৰিশূলী নদী। দুয়োকাষে প্ৰকাণ্ড পাহাৰ, মাজত ত্ৰিশূলী নদী আৰু নদীৰ পাৰে পাৰে অকোৱা পকোৱা ৰাস্তা। নেপালৰ জনগণ হয়তো সমতলৰ সলনি পাহাৰত থাকি ভাল পায়। পাহাৰৰ নামনিত অনেক ঠেক বাসপোযোগী সমভূমি আছে; মানুহে তাত খেতি কৰে, ঘৰ বান্ধে পাহাৰত। বাৰিষাকালত পাহাৰবোৰ পানীৰে চপচপীয়া হৈ থাকে। আলি বান্ধিলে পানী উপচি পৰে। তেনেকৈয়ে পাহাৰত ঘন ঘনকৈ আলি বান্ধি খেতি কৰাৰ নান্দনিক দৃশ্য অতি মনোৰম। জনপ্ৰাণীবিহীন বিচ্ছিন্ন এলেকা একোটাত এঘৰ বা দুঘৰ মানুহ অকলশৰে কেনেদৰে জানো বসবাস কৰে ! হিমালয়ান এই ৰাষ্ট্ৰখন সৰ্বত্ৰ পাহাৰেৰে পূৰ্ণ। পাহাৰবোৰ শিলাময়; কিন্তু গছ-গছনিৰে ভৰা। অসূৰ্যস্পৰ্শা এই ঘন জঙ্গলৰ মাজতো যে জনবসতি আছে দূৰৰ পৰা তাক অনুমানেই কৰিব নোৱাৰি। কাঠমাণ্ডু-পোখৰা পথৰ মাজত আছে এছিয়াৰে বৃহত্তম ৰোপৱে। তীৰৰ গতিত ধাৱমান উচ্ছল ত্ৰিশূলী নদীৰ ইটো পাৰে আছে ৰোপৱেৰ অফিচ। তাৰ পৰা দুই-তিনিখন সংলগ্ন বৃহদাকৃতিৰ পাহাৰ অতিক্ৰম কৰি অন্য এক পাহাৰৰ শীৰ্ষত ছায়াছবিৰ দৰে দেখা যায় বৰ্ণিল ৰূপৰ মনোকামনা মন্দিৰ। এক সুদীৰ্ঘ আকাশীপথ অতিক্ৰমি তৈয়াৰ কৰা হৈছে এই বিস্ময়কৰ ৰোপৱে। পাহাৰৰ সমান্তৰাললৈ নিৰ্মাণ কৰিবলগীয়া হোৱা বাবে ভূমিৰ পৰা বহু উচ্চত ক্ৰমে ই ৬০/৭০ ডিগ্ৰী কৌণিক ৰূপত মনোকানালৈ গতি কৰিছে। নদীয়ে বিচ্ছিন্ন কৰি পেলোৱা দুই ঠেক পাহাৰৰ মাজৰ শূন্য ঠাইৰে বহু আঁতৰৰ পৰা দেখা যায় যেন লানি লগা পৰুৱাই নিজ ওজনতকৈ অনেক ওজনৰ বস্তু কঢ়িয়াই নিছে নিৰাপদ স্থানলৈ। কেতিয়াবা বৈদ্যুতিক বিজুতিৰ বাবে যাত্ৰী মাজতে ওলমি থাকিবলগীয়া হয়। আগতীয়াকৈ জানি নথলে মূৰ্চ্ছা যোৱা হে কথা। কেবুল কাৰবোৰ আলসতে ওলমি দুলিবলৈ ধৰে। ৰোপৱে পথেৰে গৈ থাকিলে দেখা যায় দূৰৰ পৰা জনপ্ৰাণীহীন যেন লগা পাহাৰবোৰ ঘনবসতিৰে পৰিপূৰ্ণ। বৃত্তাকাৰে চাৰিওফালৰ পৰা পাহাৰে আগুৰি থকা এক বৃহৎ ভূখণ্ড পোখৰা এলেকা। মাজেৰে যোৱা সুদীৰ্ঘ ৰাষ্ট্ৰীয় ঘাই পথৰ অন্তত পাহাৰৰ নামনিত মূল চহৰখন গঢ়ি উঠিছে। পোখৰা আদ্যৱন্ত লোকৰ বসতিস্থান। চহৰৰ গাতে লাগি থকা ফেউৱালেক ইয়াৰ প্ৰধান আকৰ্ষণ। অগনণ পৰ্যটকে নীলাপানীৰ সপোন যেন লগা এই হ্ৰদত নৌকাবিহাৰ কৰি আনন্দ পায়। অদূৰত দেখা যায় বৰফাবৃত হিমালয় ৰেঞ্জ। অৱশ্যে শীতকালি ফেউৱাৰ যি মন-প্ৰাণ হৰি নিয়া ৰূপ বাৰিষা সেয়া পোৱা নাযায়। তেতিয়া হ্ৰদটো পানীৰে উপচি থাকে। মেটেকা আদি অপতৃণে হ্ৰদটোৰ সৌন্দৰ্য হ্ৰাস কৰে। মেঘাচ্ছন্ন আকাশে হিমালয় পৰ্বতো আৱৰি থাকে।

পোখৰাৰ ডেভিদ ফলচটো এটা ভয়ঙ্কৰ জলপ্ৰপাত। দূৰৈৰ পৰা বৈ অহা জলপ্ৰপাতটো দ্ৰুতগতিত আহি এটি বৃহৎ নাদ সদৃশ সুৰঙ্গত সজোৰে আহি আচাৰ খাই পৰি নোহোৱা হৈ গৈছে। মাটিৰ তলে তলে যোৱা বাবে জলপ্ৰপাতটোৰ স্থানীয়

নাম পাতাল চঙ্গু। বাৰিষা ইয়াৰ ৰুদ্ৰমূৰ্ত্তি অধিক ভয়াবহ হৈ পৰে। উত্তাল পানী বিদ্যুৎ গতিত গহ্বৰটোত পৰি উফৰি পাৰ ধুৱাই লৈ যায়। পাৰৰ দৰ্শকসকলৰ মাজত চিঞৰ-বাখৰ লাগি পৰে। বিচ্ছুৰিত পানীৰ কণিকাত হাতেৰে চুই চাব পৰা এখন ৰামধেনু সৃষ্টি হৈ থাকে। এবাৰ এহাল ছুইচ দম্পত্তিয়ে গা-ধুই থাকোতে হেনো মহিলাগৰাকীক আকস্মিক ঢৌৱে উটুৱাই লৈ যায়, কেইদিনমান পিছতহে বহুদূৰত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়। তেতিয়াৰ পৰাই জলপ্ৰপাতটোৰ নাম হয় ডেভিদ ফলচ্। ওচৰতে আছে চেটি নদী। জাপমাৰি পাৰ হ'ব পৰা নদীখন পাৰৰ পৰা ২০/৩০ মিটাৰ তলেৰে সৰ্পিল গতিৰে সশব্দে বৈ গৈছে। নদীখন হেনো সমগ্ৰ পোখৰাৰ মাটিৰ তলেৰে বৈ গৈছে। নদীখনে কে, আই ব্ৰীডজ, মহেন্দ্ৰপুল, ৰামঘাট আৰু পৃথ্বিবীচক আদি কিছু ঠাইত দেখা দি অন্তৰ্দ্ধান হৈছে। ডেভিদ ফলচ্ আৰু কে, আই সিং ব্ৰিজৰ কাষত অৱস্থিত মাটিৰ তললৈ বক্ৰভাবে সোমাই যোৱা মহেন্দ্ৰ কেভ। গুহাটোৰ ভিতৰত ওপৰ অংশৰ পৰা অনবৰতে টোপ টোপলৈ পানী পৰি থাকে। আহল-বহল গুহাটোৰ শেষপ্ৰান্তলৈ যাবলৈ ভয় লাগে। তাত বিজুলী বাতিৰ সলনি মমবাতিৰে পোহৰৰ ব্যৱস্থা কৰা আছে। বাৰিষাকালত গুহাটোৰ অৱস্থা আৰু সংকটজনক হৈ পৰে। তথাপি পৰ্যটকৰ ভীৰ সদায়ে থাকে। পোখৰাৰ ইণ্টাৰ নেচনেল মাউণ্টেইন মিউজিয়ামটো এটা লেখত ল'বলগীয়া মিউজিয়াম, য'ত হিমালয়ৰ দুষ্প্ৰাপ্য গছ-বিৰিখ, জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মৃতদেহ কৃত্ৰিমভাৱে সংৰক্ষিত কৰা হৈছে। পোখৰা চহৰখন কিছু পৰিকল্পিত ৰূপত সজোৱাৰ বাহিৰে বিশেষ পৰিৱৰ্তন হোৱা নাই। দ্বিতীয়বাৰ জুলাই মাহত গৈছিলোঁ বাবে পৰ্যটকৰ বিশেষ ভীৰ নেদেখিলোঁ। এদিন ফেউৱালেক ঘূৰি ক্লান্ত হৈ ললিতৰ সৈতে চাহ খাবলৈ দোকানত সোমলোঁ, সুন্দৰ চাহ, পিছে দাম শুনিহে দুয়ো হাঁহিবলৈ ধৰিলোঁ। একাপ চাহৰ দাম ৬০ টকা।

## কাঠমাণ্ডু

কাঠমাণ্ডু নেপালৰ ৰাজধানী। কাঠমাণ্ডু আৰু পোখৰাৰ মাজৰ দূৰত্ব ২০২ কিঃমিটাৰ। সাধাৰণতে পৰ্যটকসকলে এই দূৰত্বৰ বাট ৰাতি অতিক্ৰম কৰে আৰু পুৱা পোখৰা বা কাঠমাণ্ডুত উপস্থিত হয়। প্ৰথমবাৰ আমিও ৰাতিয়ে যাত্ৰা কৰিছিলোঁ; কিন্তু দ্বিতীয়বাৰ যাত্ৰ কৰিছিলোঁ দিনত। ৰাতি গ'লে নেপালৰ প্ৰাকৃতিক দৃশ্যসমূহ দেখাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। বাটত পোৱা চহৰবোৰত লঘু- গুৰু আহাৰ গ্ৰহণ কৰি মনটো তৃপ্তিৰে ভৰি পৰে। নেপালৰ পোখৰাত খোৱা দৈৰ সোৱাদ বৰ অনুপম। বহু হোটেলেৰে চহৰবোৰ ভৰি আছে। কিন্তু ভাত পাবলৈ টান। যিবোৰ হোটেলত 'থাকালি' বুলি লিখা আছে তাতহে উপযুক্ত আহাৰ পোৱা যায়। নেপালি থাল বুলি ক'লে আমাৰ উপাদেয় খাদ্য যোগান দিয়ে । নেপালৰ লতাশাক বৰ তৃপ্তিদায়ক। মদ উন্মুক্তভবে গ্ৰহণ কৰে। কম বয়সীয়া ল'ৰাবোৰে একগোটহৈ হোটেলত মদ খোৱা দেখিলে বৰ অস্বস্তি লাগে; কিন্তু কোনো উদ্ভাওালি নকৰে। আমাৰ গাড়ী চলাইছিল জয়ন্ত প্ৰধানে। চেণ্ট্ৰোগাড়ীখনৰ গৰাকী জয়ন্ত নিজে। ৰাস্তাত নেপালী গীত গাই, নিজৰ বিচিত্ৰ অভিজ্ঞতা বৰ্ণনা কৰি আমাৰ যাত্ৰাপথৰ ক্লান্তি দূৰ কৰিছিল। জয়ন্তৰ প্ৰেয়সীৰ দেউতাকৰ আকস্মিক বিয়োগত শোকস্তব্ধ প্ৰেয়সীয়ে প্ৰেমিকৰ পৰা দুবছৰ বিচ্ছিন্ন হৈ থাকে। ইতিমধ্যে জয়ন্তই বিয়া কৰায়। পুনৰ সংযোগ ঘটে প্ৰেয়সীৰ সৈতে। প্ৰেয়সী জয়ন্তৰ স্মৃতিলৈ অবিবাহিতা হৈ থাকিল; কিন্তু দুয়োৰে মাজত প্ৰত্যক্ষ যোগাযোগ এতিয়াও অব্যাহত আছে। পৰিয়ালেও জয়ন্তক জোঁৱাই বুলিয়ে গণ্য কৰে।

ৰাজধানী কাঠমাণ্ডুত নেপালৰ চাবলগীয়া সকলো বস্তু যেন একত্ৰিত হৈ আছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰ ৰাজধানী দৰবাৰ, ভক্তপুৰ দৰবাৰ আৰু পাটান দৰবাৰ দিল্লীৰ লালকিল্লা, আগ্ৰাৰ দূৰ্গৰ দৰে প্ৰাচীন স্থাপত্য-ভাস্কৰ্যৰ বৃহৎ একোটা প্ৰাণকেন্দ্ৰ। দৰবাৰসমূহ সাধাৰণতে কাঠ আৰু শিলেৰে নিৰ্মিত। দুই-চাৰিটা আধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰা অট্টালিকাও আছে। প্ৰতি টুকুৰা কাঠ আৰু শিল শিল্পীৰ নিপুণ হাতৰ স্পৰ্শত যেন প্ৰাণ পায় উঠিছে। মন্দিৰসমূহৰ গঠন প্ৰণালী একে ধৰণৰ। চাই হেঁপাহ নপলোৱা তাৰ কাৰুকাৰ্য। পাটান দৰবাৰ স্কোৱাৰৰ কাৰুকাৰ্য আটাইতকৈ চহকী আৰু সেয়ে এই চহৰখনক শিল্পনগৰী ৰূপে জনাজাত। সুবৃহৎ প্ৰাচীন কাঠেৰে নিৰ্মিত গৃহসমূহৰ নিৰ্মাণ কাৰ্য অতি চমৎকাৰ। সকলো ধৰণৰ দোকান পোহাৰ উভৈনদী। পাটান দৰবাৰত বয়োজ্যেষ্ঠ লোক কিছুমান পৰিপাটিকৈ সাজ পৰিধান কৰি প্ৰফুল্লমনে বহি থাকে। তেখেতসকলৰ সৈতে ফটো উঠিলে বৰ ৰং পায়। পাটান দৰবাৰৰ কৃষ্ণমন্দিৰ অতি বিখ্যাত। শিলৰ স্তম্ভৰ ওপৰত নিৰ্মিত প্ৰতাপ মালাৰজাৰ প্ৰতিমূৰ্ত্তি, বিভিন্ন দেৱ-দেৱীৰ ভাস্কৰ্যসমূহে নেপালৰ প্ৰাচীন ঐতিহ্য ঘোষণা কৰি আছে।

কাঠমাণ্ডু উপত্যকাৰে বৈ যোৱা বাগমতী এখন পৱিত্ৰ নদী। বাগমতী নদীৰ পাৰত অৱস্থিত পশুপতিনাথ মন্দিৰ দেশৰ প্ৰসিদ্ধ হিন্দুমন্দিৰ। ইউনেস্ক'ৰ দ্বাৰা স্বীকৃত পৃথিৱীৰ অন্যতম

ঐতিহ্যক্ষেত্ৰ। জীৱন কালত এই মন্দিৰ প্ৰতিজন হিন্দুৱে এবাৰ হ'লেও দৰ্শন কৰিব লাগে বুলি বিশ্বাস আছে। অহৰ্নিশে মন্দিৰত অগনণ ভক্তৰ সমাগম। পশুপতিনাথৰ ওচৰতে বাগমতী নদীৰ তীৰত আছে বিখ্যাত স্মশান আৰ্যঘাট য'ত অনবৰতে মৃতদেহ সৎকাৰ কৰি থকা দেখা যায়। নেপালৰ ৰাজদৰবাৰ হত্যাকাণ্ডত নিহত হোৱা ৰজা বীৰেন্দ্ৰ বিক্ৰম শাহ, ৰাণী ঐশ্বৰ্য, দুই পুত্ৰ দীপেন্দ্ৰ-নিৰঞ্জন, জীয়ৰী শ্ৰুতিকো দাহ কৰা হৈছিল এই আৰ্যঘাটতে। ভক্ত পৰ্যটকসকলে বাগমতীৰ সিপাৰে সুচল ঠাইত বহি মন্দিৰ আৰু স্মশানৰ সৌন্দৰ্য ও মাঙ্গলিক কাৰ্য উপভোগ কৰি থাকে। ললিত আৰু ময়ো ৰাজপৰিয়ালক দাহকৰা ঠাইসমূহ বিমুগ্ধ দৃষ্টিৰে চাইছিলোঁ সুদীৰ্ঘ সময়। নেপালৰ কেচিনোবোৰ জুৱাৰ আড্ডা। ভাৰতীয় ধনকুবেৰবোৰে তাত ক'লা ধন বগা কৰে। মদ-পানী, খাদ্য তাত বিনামূলীয়া। কিন্তু কোনো নেপালী লোকৰ তাত প্ৰৱেশৰ অধিকাৰ নাই। দাৰ্জিলিঙৰ টাইগাৰ হিলচৰ দৰে পোখৰাৰ চাৰংকোট আৰু কাঠমাণ্ডুৰ নাগৰকোটৰ পৰা পৰ্যটকে সূৰ্যোদয়ৰ দৃশ্য উপভোগ কৰে। ইয়াৰ নৈসৰ্গিক সৌন্দৰ্য ইমান বিস্ময়কৰ যে তাক প্ৰকাশ কৰিবলৈ লেখকৰ কলম বা শিল্পীৰ তুলিকা তেতিয়াও সমৰ্থ নহ'ব।

প্ৰাচীন কালৰ পৰা নেপাল বৌদ্ধধৰ্মৰ পৱিত্ৰ পীঠ স্থান হিচাপে খ্যাত। ইয়াত বহুতো ঐতিহ্যমণ্ডিত বৌদ্ধ মঠ-মন্দিৰ আছে। থামেল অঞ্চলৰ ওচৰত স্বয়ম্ভুনাথ বৌদ্ধ স্মাৰকেৰে পৰিপূৰ্ণ হৈ আছে। বিভিন্ন ভঙ্গীত ধ্যানমগ্ন বিশালাকৃতিৰ কেইবাটাও বৌদ্ধমূৰ্ত্তিয়ে দৰ্শকক প্ৰথম দৃষ্টিতে সন্মোহিত কৰি তোলে। মূলস্থানত বৌদ্ধভিক্ষুসকলে বিভিন্ন বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি প্ৰাৰ্থনা কৰি থাকে। দৰ্শকসকলেও তাত অংশগ্ৰহণ কৰিব পাৰে। পাহাৰত কেইবাটাও সুপ্ৰাচীন বৌদ্ধস্তুপৰ ভগ্নাৱশেষ আছে। সেইবোৰ বৰ্তমান অত্যাধুনিক পদ্ধতিৰে নতুন ৰূপত গঢ়ি থকা হৈছে। লগে লগে এই ঐতিহ্য ক্ষেত্ৰৰ প্ৰাচীনত্বত মোক্ষম আঘাত পৰিছে। ইয়াতে কীৰ্তিচন্দ্ৰই ৫০ টা চৰ্যাগীতৰ টীকাভাষ্য কৰিছিল। পাহাৰখনৰ ওখ শেষপ্ৰান্তৰ পৰা তলত সমগ্ৰ কাঠমাণ্ডু উপত্যকা এখন ছবিৰ দৰে ভাহি উঠে। স্বয়ম্ভুনাথ নেৱাৰী সম্প্ৰদায়ৰ পীঠস্থান হোৱাৰ বিপৰীতে কাঠমাণ্ডুৰ অন্যতম বৌদ্ধস্তুপ বুদ্ধনাথ তীব্বতী বৌদ্ধসম্প্ৰদায়ৰ বৃহত্তম বৌদ্ধক্ষেত্ৰ। অসমীয়া শৰাইৰ ওপৰৰ অংশৰ আকৃতিত তৈয়াৰী বহু অঞ্চল আৱৰা বৌদ্ধস্তুপটোৰ ভিতৰত নহয় ওপৰত উঠিহে ঘূৰিপকি চাব লাগে। বৌদ্ধনাথো কাঠমাণ্ডুৰ অন্যতম বিশ্ব ঐতিহ্য ক্ষেত্ৰ। হিন্দুমন্দিৰ আৰু বৌদ্ধমন্দিৰ পৰিচালনাৰ এক লক্ষণীয় বৈশিষ্ট্য হ'ল - হিন্দু পুৰোহিতসকলে ভক্তপ্ৰাণ দৰ্শকক প্ৰায়ে অস্পৃশ্য জ্ঞান কৰে। আনহাতে বৌদ্ধ সন্তসকলে দৰ্শকক মহাপ্ৰভুৰ বিগ্ৰহৰ ওচৰলৈ যাবলৈ, ফটো উঠিবলৈ উৎসাহিত কৰে। আনকি জোতা-চেণ্ডেল পৰিধান কৰিও ভিতৰত প্ৰবেশ কৰিবলৈ অনুমতি প্ৰদান কৰে।

নেপাল ৰাজতন্ত্ৰৰ মোক্ষম আঘাত ২০০১ চনত সংঘটিত ৰাজপৰিয়ালৰ ৰহস্যজনক হত্যাকাণ্ড। প্ৰজাসাধাৰণে ৰামচন্দ্ৰৰ অৱতাৰ বুলি গণ্য কৰা বীৰেন্দ্ৰ, ৰাণী ঐশ্বৰ্যৰ যুগল ফটো সকলো অনুষ্ঠান-প্ৰতিষ্ঠানতে শ্ৰদ্ধা-ভক্তি সহকাৰে স্থাপন কৰে। সেইবাৰ আমি নেপালৰ পৰা ঘূৰি অহাৰ পিছত ঘটিছিল লোমহৰ্ষক সেই হত্যাকাণ্ড। বিদেশত শিক্ষিত ৰাজকুমাৰ দীপেন্দ্ৰই ৰজা-ৰাণীসহ পৰিয়ালৰ সাতজন সদস্যক নিষ্ঠুৰভাবে এজন এজনকৈ হত্যা কৰি নেজেও আত্মহত্যা কৰিছিল। সমগ্ৰ দেশ শোকত ম্ৰিয়মান হৈ পৰে। আইন-শৃঙ্খলাৰ অৱনতি ঘটে। আন্দোলন-প্ৰতিবাদে দেশ উত্তাল কৰি ৰাখে। বহুতে সন্দেহৰ আঙুলি টোৱালে এয়া এক আন্তৰ্জাতিক ৰাজনৈতিক হত্যাকাণ্ড। এই ৰহস্যৰ আঁৰকাপোৰ আঁতৰিবলৈ এতিয়াও বাকী। কিন্তু 'ৰাজশাহী' নামৰ নেপালী উপন্যাস এখনত ঔপন্যাসিকে হত্যাকাণ্ডৰ সময়ত উপস্থিত থকা ৰাজকুমাৰৰ পেহীয়েক এজনীয়ে সেই সময়ত দুজন দীপেন্দ্ৰ দেখা বুলি উল্লেখ কৰিছে। 'নাৰায়ণহিটী দৰবাৰ ৰ দেশভক্তকো অৰসান' নামৰ গ্ৰন্থখনৰ লেখক ডাঃ ৰাজকুমাৰ পোখৰেলে দাবী কৰিছে যে এই হত্যাকাণ্ডত জড়িত আছে ভাৰত আৰু আমেৰিকা। ৰজা বীৰেন্দ্ৰ বিক্ৰম শাহৰ নেপালৰ মাওবাদ প্ৰীতি এই দুৰ্ঘটনাৰ অন্যতম কাৰণ বুলি লেখকে উল্লেখ কৰিছে। চিঙ্গাপুৰত তৈয়াৰ কৰা ৰাজকুমাৰ দীপেন্দ্ৰৰ মুখাকৃতি পৰিধান কৰি হত্যাকাৰী সহজে ৰাজদৰবাৰত প্ৰবেশ কৰি এই শিহৰণকাৰী হত্যাযজ্ঞ সংঘটিত কৰিছিল। সম্প্ৰতি ৰাজপৰিয়ালৰ বাসস্থান ৰয়েল প্লেচ নাৰায়ণ হিটিক মিউজিয়াম হিচাপে গঢ়ি তোলা হৈছে। ৰজা-ৰাণীৰ সকলো স্মৃতি তাত সংৰক্ষণ কৰি দৰ্শকৰ বাবে মুকলি কৰি দিয়া হৈছে। এই মিউজিয়ামত প্ৰবেশ কৰি ৰাজ পৰিয়ালৰ সদস্যসকলক হত্যাকৰা স্থান তথা গুলিৰ আঘাত লগা গছ আৰু গৃহৰ বেৰ দৰ্শন কৰিব পোৱাটো নেপাল ভ্ৰমণৰ অবিস্মৰণীয় অভিজ্ঞতা। নেপালৰ পশুপতিনাথ বিগ্ৰহৰ সন্মুখত ৰজা বীৰেন্দ্ৰ বিক্ৰম শাহৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। এই প্ৰতিমূৰ্তি প্ৰথম দেখি উচপ খাই উঠিছিলোঁ, এয়া যেন প্ৰতিমূৰ্তি নহয় প্ৰকৃত ৰজা বীৰেন্দ্ৰ বিক্ৰম শাহ অনন্ত কালৰ বাবে

পশুপতিনাথক প্ৰণাম জনাইছে।

নেপাল এখন শান্তিপ্ৰিয় দেশ। পুলিচৰ আতিশয্য কিম্বা অসৎ অভিপ্ৰায়ৰ কোনো লোক দেখা নাপালোঁ। বিপৰীতে আমাৰ দেশৰ যি ঠাইলৈকে যোৱা যায়, সকলোতে পুলিচৰ তীক্ষ্ণ দৃষ্টি আৰু এক শ্ৰেণীৰ ঠগ-প্ৰৱঞ্চকে পৰ্যটকক সৰ্বশ্ৰান্ত কৰিবলৈ উন্মুখ হৈ থাকে। প্ৰবেশ পথত ভাৰত-নেপাল সীমান্তৰ মেচিনদীৰ কাষত আমৰ দেশৰ কিবা তালাচীৰ ব্যৱস্থা আছে বুলি ধাৰণাই নহয়। কিন্তু নেপালৰ পৰা ওভোতাৰ সময়ত দেশীয় পুলিচৰ পুঙ্খানুপুঙ্খ তালাচী চলে। আমি শিক্ষামূলক ভ্ৰমণৰ উদ্দেশ্যহে নেপাললৈ গৈছিলোঁ বুলি কোৱাতো তেওঁলোক নাচোৰবান্দা, ঘোচ লাগে অন্যথা সকলো বস্তু তন্নতন্নকৈ পৰীক্ষা কৰা হ'ব। আমি তাতে মান্তি হোৱাত আমাৰ এগৰাকী প্ৰত্যুৎপন্নমতি শিক্ষয়িত্ৰীয়ে তেওঁৰ বেগটো আগবঢ়াই দিলে। ক্ষুধাতুৰ বিষয়াই চেইন খুলি নাড়ীভুৰুৰ দৰে [illegible]ৰ পৰা কিছু কাপোৰ টানি আনিলে। লগে লগে [illegible]চেৰাৰ হাতত ইপ্সিত বস্তুৰ সলনি উঠি আহিল ইতিমধ্যে ব্যৱহাৰৰ অনুপযোগী হৈ পৰা কিছু অন্তৰ্বাস। মুহূৰ্ততে বেগটো থেলি দিলে আৰু আমিও স্বদেশৰ মাটিলৈ উভতি অহাৰ অনুমতি পালোঁ। নেপালৰ বিভিন্ন বিপণীৰ পৰা সংগ্ৰহ কৰা প্ৰিয় শিল্পীসকলৰ দৃশ্য-শ্ৰব্য চি,ডি, কেছেটসমূহ চালে বা শুনিলে এতিয়াও এনে লাগে যেন ললিত আৰু মই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ৰূপহী নেপালৰ মন-প্ৰাণ হৰি নিয়া দৃষ্টিনন্দন পৰ্যটন ক্ষেত্ৰসমূহ উদ্‌ভ্ৰান্ত হৈ ঘূৰি ফুৰিছোঁ। ●●●

---

'জৱাহৰজ্যোতি'ৰ দ্বিতীয় সংখ্যালৈ অসম সাহিত্য সভাৰ তদানিন্তন সভাপতি যজ্ঞেশ্বৰ শৰ্মাদেৱৰ শুভাশিষ বাণী।'

---

# ঃ শুভেচ্ছা বাণী ঃ

প্ৰিয় বন্ধু,

তোমাৰ চিঠি পাই সুখী হলোঁ। পশ্চিমীয়া নৱবৰ্ষৰ বাবে মোৰ শুভ-ইচ্ছা তোমালোক সকলোটিলৈ থাকিল। "জৱাহৰ জ্যোতি"ৰ বাবে এই দু-আখৰ লিখিলোঁ।

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে এইবেলি তেওঁলোকৰ আলোচনী "জৱাহৰ জ্যোতি"ৰ দ্বিতীয় সংখ্যা প্ৰকাশ কৰিব বুলি জানি সুখী হলোঁ।

মই আশা কৰোঁ, এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰত্যেক মানুহৰ অন্তৰত জ্বলি থকা জৱাহৰ জ্যোতি সন্ধান কৰিবলৈ চেষ্টা কৰিব। সকলোৰে অন্তৰত এটি শক্তিয়েই বিৰাজ কৰিছে। এই হিচাপে সকলো সমান। ইয়াকে বুজি এইমতে সংসাৰত চলিব পাৰিলেই বহুতো সমস্যাৰ সমাধান হয়।

আশা কৰোঁ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলে এই বাণী তেওঁলোকৰ প্ৰকাশিত আলোচনীত প্ৰচাৰ কৰিব, আৰু তেওঁলোক নিজেও ইয়াক উপলব্ধি কৰিবলৈ চেষ্টা কৰিব। এয়ে পৰম ধৰ্ম, পৰম তত্ত্ব।

সকলোলৈ স্নেহ আৰু আশীৰ্ব্বাদেৰে,

নগাওঁ
৩১/১২/৭৩

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
সভাপতি,
অসম সাহিত্য সভা

# Some Reflections on National Service Scheme (NSS) and its activities in J.N.College, Boko

**Prof. Umesh Chandra Kar**
**Department of English**

The idea of involving the students of the country with social services germinated in the recommendation of the First Education Commission of the country in the year 1950. In that vey process National Service Scheme emerged in the year 1969 as one of the strongest channels of the students to associate them in social activities. It's interesting to observe the emergence of the NSS coinciding with the birth centenary year of the father of the nation Mahatma Gandhi. Gandhiji believed in the enormous capability of the youth of the nation which can transform its destiny.

Initially the scope of NSS was limited to certain selective institutions of the country. But with the passing time the popularity of this organization has grown tremendously and it has been able to cover almost all the educational institutions of the country at present. The Higher Secondary schools have introduced NSS attracting the young generation to join this for unfolding their complete personality . NSS offers students a nice opportunity to build up their personality through community service.

It is important here to know the mechanism through which the NSS activities operate in an institution. The NSS activities are broadly carried on two levels. These are on institution level and community level. The NSS Manual prepared under the Ministry of Youth and Sports , Govt. of India provides a frame-work for all the programmers of the NSS. Accordingly any student enrolled as NSS volunteer should put in atleast 120 hours of social work in a year for a continuous period of two years by completing 240 hours within this specified period . Out of the 120 hours services in a year each student volunteer is expected to put in a year at least 20 hours as pre-placement orientation. This orientation programme includes a general orientation work of 2 hours, special orientation of 8 hours and a programme skill learning of 10 hours duration. Besides this there is an allotment of 30 hours camping by the students volunteers. Camping is one of the distinctive features of the NSS. It is through this camping a volunteer uses the maximum opportunity to expose him/her to the social realities. Facing the problems within and outside the campus enables a volunteer to develop the skill of leadership . Each NSS volunteer has to move and grapple with the problems identified by them in the community with the perfect co-operation of the members of that particular community. In this regard, the responsibility of NSS volunteers is a matter of paramount importantce. They are supposed to keep themselves in constant touch with the community they are serving.The problems of the people of the different communities living in that area are studied by them in details. For example their status of education, health, sanitation and knowledge regarding the different schemes of the govt. prepared for them. Their reaction to the social issues is also observed .The NSS volunteers bear the responsibility of making them conscious of all these during the course of camping.

Similarly camping is a regular activity within the campus . It is said campus and community go together. Any educational institution is a community in miniature. Students belonging to different religion, race and caste stay in an institution in perfect harmony and work for the progress of their own institution. So it is the responsibility of NSS volunteers to keep their campus clean and provide effective leadership to maintain discipline in class room and in almost all the activities of the institution so that the healthy growth of an educational institution becomes possible.

One of the most important aspect of NSS is the special camp of Adopted village programme.This very programme is of 70 hours duration nearly 3days in a year. Every NSS unit has to undergo such a programme. The selected groups of volunteer from among NSS unit who are willing and spirited for extending social services to the community are chosen for such special camp.The group should not be exceed more than 50 volunteers. The place selected for the Adopted village should not beyond 20Kms from the educational institution concerned . Proper arrangement for the stay of the NSS volunteers should be ensured. Discussion with the members of the community and club of the locality (if any) should be made for the conduct of the camp. Thereafter the programme officer along with the selected NSS volunteers and their luggage will move to site and involved in the special camp activity of the adopted village. The NSS volunteers continue their labour and clean a road or construct it in that area. They may visit the people there and take stock of their living style and try to know how far the government schemes have benefited the people living in the community. It all depends on the leadership quality of the NSS volunteers to make the Adopted village camp a grand success. During the period of the camp group discussion among the volunteers and interaction with the members of the community may take place to have a deeper understanding of the place and the people. Cultural programme like song, games, drama etc. may also be performed to associate the community with the spirit of the NSS.

The role of the programme officer in giving shape to all the NSS activities and programme is immense. The successful operation of the NSS unit of an institution largely depends on the sound knowledge of the programme officer appointed by the college from among the teaching faculties to look after the NSS activities. The programme officer so appointed by the college must undergo the training imparted by the institutes to make the programme officer conversant with the programmes and various activities of NSS. It is a matter of happiness to mention here that the Indian Institute of Entrepreneurship (IIE) Guwahati has made all sorts of arrangements for the proper training of the NSS programme officer of late. The programme officers of NSS should make use of these opportunity to update their knowledge on NSS by undergoing this training programme.

Besides the camps mentioned above there are many other camps organized by the NSS throughout the year. Every institution having NSS unit should make it a point to expose students to such camps in order to improve their attitudes, vision, personality and ability to mix and mingle with the rest of the students of the country for sharing their views and ideas. Among the programmes the National Integration Camp adventure camp, youths festival, mega camp, republic day camp etc. are very significant. Participation of the NSS volunteers in these programs not only develop their personality but enhances their confidence and communication skills.

There is one more information which needs to be furnished here for the sake of the NSS units of all colleges. Every year a selection is made country wide to choose the best NSS unit. This is in for the honour and recognition of Rajiv Gandhi Award. So it is important for all the NSS units to maintain a clean record of all the activities of the NSS annually and send the same to the concerned department for selection. The college administration in this regard should be responsive and extend all possible help and assistance for the healthy growth of NSS.

It needs mentioning here the attachment of the Red Ribbon Club (RRC) with the NSS unit of the

colleges. The objective of the Red Ribbon Club is to bring an awareness among the youths and community on the threat of HIV positive and AIDS. The Assam State AIDS Control society (ASSACS) sponsors programmes through the Red Ribbon Club and sensitizes the youth for donating blood which is a life saving fluid to save many lives in dire emergency. The blood donation camp is organized by the RCC in collaboration with the NSS unit of the colleges. Such donations help our youths and community in manifold ways. It helps in detecting the status of an individual on HIV positive, hemoglobin deficiency, diabetics, hepatitis etc.

Having mentioned all these it is time to throw some light on the functioning of the NSS in J.N.College. NSS was introduced in the college in academic session 1975-76. Prior to that there was NCC in the colleges of Assam and it was made compulsory for the studens to undergo NCC training. But soon it was replaced by the National Service Scheme (NSS) and to join in the NSS was made voluntary on the part of the students. Students with a high zeal and interests to serve the institution and the society voluntarily join the NSS. Late Madan Chandra Kakati was appointed to the first programme officer of NSS in the college. Under his effective guidance the students were highly motivated for extending social services . And our college has proudly extended selfless social services with a band of dedicated volunteers and constructed many roads, help during natural calamity to the people and earned high apprieciation . Mr. Bharat Choudhury presently serving the college was selected as one of the best NSS volunteers nationally.

The college under the NSS unit made arrangement for pineapple farming and it was a big success. Mr. Bimalendu Mahanty from Orissa was highly impressed by this farming in the college campus. The NSS volunteers actively participated in almost all the NSS activities of the college.

However, NSS suffered from stagnation for a very long period in the colleges of Assam owing to the indifference of the Government of Assam inprovidirig financial assistance to the colleges for NSS activities . Our college also suffered for the same.

After a long interval Prof. Abani Das of the Department of Geography was appointed as the programme officer of NSS. During the short tenure he tired all his best to revive the lost spirit of the NSS. Students were involved under his guidance to carry on the activities of NSS within and outside the campus. Prof. Abani Das deserves thanks to maintain the continuity of NSS against a very unfavourable situation.

From the year 2006 the responsibility of the NSS unit of our college was entrusted on the writer of this article . Soon after assuming the charge of the NSS the writer was sent for the NSS training at Narendrapur, Kolkatta. Having undergone the training the NSS activities were revived in the college in full swing. A decision was taken to raise fund from the students of the college to carry on the activities of the NSS. Accordingly from the year 2007 the students of the college have beencontributing in their admission fee some amount to keep NSS go on. How far the amount has been utilized in the NSS works is a matter of question.

Apart from that the Government of Assam under the most efficient acumen of the present youth officer of Regional Centre of NSS, Assam Mr. Sunil Basumatary released the grant of the NSS to all the colleges from the year 2013 to carry the institutional and special camp activities. The principal of the colleges were requested to open joint accounts with the NSS programme officer to spend that amount. How many colleges have responded to the directive of join accounts system is yet another question.

However, J.N. College, Boko has initiated the blood donation camp from the year 2011.The first blood donation was arranged by the NSS in collaboration with the Indian Army and the Assam State AIDS Control Society. A videography of the entire programme was kept on record. In the year 2012 this programme was conducted on the national Voluntary Blood Donation Day. In the year 2013 the blood donation camp maintained its continuity. The

NSS volunteers have been exposed to different national level camps by this period. Several national integration camps held in New Delhi, Puduchery, Karnataka have been attended by our students. It is matter of pride and joy to mention here that our students Sri Dhananjay Boro was selected for participating in the Republic Day Camp organized on the 26th of January, 2012 at New Delhi. Our students have a chance to participate in the National Youth Festival held in Orissa and and Arunachal Pradesh. There are many national programme in which our NSS volunteers have taken an active part with the students of the rest of the country. This is certainly a good sign for the development and growth of the NSS in our College. Our college has been exposed to the national forum through NSS.

During the visit of the PEER team of the NAAC recently all the activities of the NSS were placed before them and they were highly impressed to see them. But they advised to arrange special camp by adopting villages near by and maintained a record on the reaction of the visitors to the camp. It is a fine suggestion by the Hon'ble PEER team of the NAAC . The writer assured them to maintain the record of the visitors during the special camp.

The article will remain incomplete without mentioning the aims and objects of NSS for the knowledge of the student and public. As said earlier development of the personality through community service is the chief aim of NSS. Keeping this aim in view the objectives of NSS lay stress on to work with and among people, to engage in creative and constructive social action to enhance students knowledge about themselves and the community, to put the scholarship of students to practical use in mitigating at least some of the problems to gain skill in the exercise of creative leadership, to gain skill in the programme development to enable students for self employment to bridge the gulf between the uneducated and the educated masses and promote the will to serve the weaker section of the community.

All these above mentioned objectives of NSS reflected in the song of the NSS . It should be the bounded duty of all NSS volunteers to sing that song loudly in order to penetrate its theme to heart. The clap of the NSS is also rhythmic and every volunteer should learn how to clap with three bits. These are the vital lessons which a volunteer in NSS learn by experience, not under any kind of imposition.

The area of NSS is so wide that it touches all the issues of a nation . But within the short space it is not possible to cover all these. While concluding it should be emphasized that NSS has a great role to play for the youths of our nation. While the values are eroding in society, the youths are going astray the deep rooted culture and tradition of the nation are at stake, the philosophy of NSS can act as a panacea for society.

The college is completing its 50 years of existence and the NSS is completing the 40 years of its existence. After 10 years the NSS is going to celebrate its golden jubilee in the college. It is high time now to strengthen the NSS unit so that we can boldly say to the community that we have done something useful for them.

With the significant note of NSS. "not me but you' I conclude this small presentation on the auspicious occasion of the Golden Jubilee of Jawaharlal Nehru College, Boko.

# জৱাহৰজ্যোতিৰ সোঁৱৰণীৰে সেই সুদিন

জ্ঞানশঙ্কৰ খাখলাৰী
প্ৰথম সম্পাদক, জৱাহৰজ্যোতি

দিন গ'ল। মাহ গ'ল। বছৰো গ'ল। সময়ৰ স'তে আমি মানুহবোৰো বহু সলনি হ'লোঁ। সলনি হৈছে পৰিৱেশ-পৰিস্থিতি। জীৱনৰ বাটত বহুদূৰ খোজ কাঢ়ি আহিলোঁ। আহোতে বাটত বহুতক লগ পালোঁ। মনৰ মণিকোঠাত থুপ খাই আছে বহু কথা। কলেজ এৰি অহা সময় কম নহয়। মই উক্ত মহাবিদ্যালয়ৰ 'জৱাহৰজ্যোতি' আলোচনীখনৰ প্ৰথম সংখ্যাৰ সম্পাদক আছিলোঁ। উত্তৰ পুৰুষ সকলে আমাক মনত পেলাই কিছু কথা লিখিবলৈ কোৱাৰ বাবে মোৰ হিয়াভৰা চেনেহৰ সন্দেশ আগবঢ়ালোঁ। এতিয়া লিখো কি? কওঁ বা কি ?

আমি 'জৱাহৰজ্যোতি' সম্পাদনা কৰা বছৰটো আছিল ১৯৭০-৭১ চন। যি সময়ত আমি বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰজ্যোতি' প্ৰকাশৰ কথা ভাবিছিলো তেতিয়া বৰ্তমানৰ দৰে ছাত্ৰ-ছাত্ৰী নাছিল। নাছিল কলেজৰ আৰ্থিক পূঁজি। কলেজখনো নতুন। কলেজৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী মিলি ছাত্ৰ একতা সভাৰ এখন সভা বহিছিল। তাৰিখ, বাৰ মোৰ মনত নাই। সেই সভাত কলেজৰ প্ৰথম সংখ্যা 'জৱাহৰজ্যোতি' নামৰ মুখপত্ৰ প্ৰকাশ কৰাৰ প্ৰস্তাৱ লোৱা হৈছিল। ছাত্ৰ একতা সভাৰ সম্পাদক আছিল মহেশ ৰাভা। মোক 'জৱাহৰজ্যোতি'ৰ সম্পাদকৰ পদটো কান্ধত তুলি দিছিল। সেই সময়ত গুৱাহাটীৰ পৰা প্ৰকাশিত 'আমাৰ বাতৰি' নামৰ তিনিদিনীয়া বাতৰি কাকতখনত এই অঞ্চলৰ সুৰ-সুৰা টুকুৰা খবৰ মই লিখি প্ৰকাশ কৰিছিলোঁ। সম্পাদক আছিল অসম সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি চন্দ্ৰপ্ৰসাদ শইকীয়া। বকোৰ পূৰ্ণ চন্দ্ৰ দাসৰ লগত এটি সাক্ষাৎকাৰ আৰু বকো কলেজৰ বিষয়ে লিখি প্ৰবন্ধ প্ৰকাশ কৰিছিলোঁ। এনেদৰে চালে-বেৰে কিবা-কিবি লাভবান নোহোৱা লিখনি লিখাৰ বাবে কাৰোবাৰ চকুত লাগিছিলো নেকি যাৰ বাবে হয়তো সম্পাদকৰ পদটো মোৰ ফালে ঠেলি দিছিল। মই পিছে একেবাৰে অনভিজ্ঞ। সম্পাদনাৰ অ-আ একোকে নাজানো।

আমাৰ ছাৰ মদন কাকতিদেৱ, ধৰ্মকান্ত বৰুৱা ছাৰ, বসন্ত কুমাৰ দত্ত ছাৰ, শৰৎ তালুকদাৰ আদিয়ে মোক বহু অনুপ্ৰেৰণা দিলে। লগতে সহায় কৰিলে, নৰেশ্বৰ বায়ন, নৃপেন নাথ, পৰমেশ্বৰী বড়ো, সৰ্বেশ্বৰী বড়ো, নগেন কলিতা, পীতাম্বৰ ঠাকুৰীয়া, মহেশ ৰাভা আদি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে। বহুতৰ নাম পাহৰিলোঁ। আনহাতে অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ ছাৰৰ নাম ল'বই লাগিব। 'জৱাহৰজ্যোতি' প্ৰকাশৰ সিদ্ধান্ত হ'ল ঠিক, কিন্তু অধ্যক্ষ নাথছাৰে আমাক জনালে যে আলোচনী প্ৰকাশৰ জোখাৰে পুঁজিত টকা নাই। ছাত্ৰ একতা সভাৰ মত হ'ল আলোচনী প্ৰকাশ কৰিবই। যাৱতীয় কামকাজ কৰাৰ দায়িত্ব মোৰ গাত পৰিল। সম্পাদনা সমিতি গঠন কৰা হ'ল এনেদৰে -

সভাপতি ঃ অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ
সদস্য ঃ অধ্যাপক শৰৎ তালুকদাৰ, অধ্যাপক বসন্ত কুমাৰ দত্ত, অধ্যাপক মদন কাকতি, অধ্যাপক কামিনী মোহন শৰ্মা।
সহঃ সম্পাদক ঃ অমূল্য ৰয়

(অমূল্য বৰ্তমান ইহজগতত নাই। নাথ, তালুকদাৰ, দত্ত আৰু কাকতি ছাৰেও চাকৰিৰ পৰা অৱসৰ ললে। কামিনী মোহন শৰ্মাও গোৱালপাৰা কলেজৰ পৰা অৱসৰ লৈছে।)

অভিজ্ঞতা নাই। মুৰত সোমাল আলোচনী প্ৰকাশ কৰিবই লাগিব। সম্পাদনা সমিতিৰ বৈঠক বহা হ'ল। লেখা বিচাৰি কলেজত জাননী দিয়া হ'ল। সীমিত ছাত্ৰ-ছাত্ৰী, যাকে য'তে লগ পাইছোঁ তাকে কৈ ফুৰিছোঁ আলোচনীখনৰ বাবে লেখা দিবলৈ । ঘৰলৈ গৈ তাগিদা দিছোঁ। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকললৈ চিঠি পত্ৰ লিখিছোঁ লিখনিৰ বাবে। ইতিমধ্যে মই সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি ভি.ভি. গিৰি, প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী, অসমৰ গৱৰ্ণৰ বি.কে. নেহৰু, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আনন্দ চন্দ্ৰ বৰুৱা (বকুল বনৰ কবি), নলিনী বালা দেৱী, প্ৰবীন কুমাৰ চৌধুৰী, অচ্যুত কান্ত অধিকাৰী আদিৰ আশিষ বাণী সংগ্ৰহ কৰি অধ্যক্ষ নাথ ছাৰৰ ওচৰ পাইছিলোঁ। কমদিনৰ ভিতৰতেই কাম কৰিছিলো। ছাৰে কলে 'জ্ঞান, বহু দূৰ আগবাঢ়িলাহে।

ফাগুত টকা নাই কি কৰা যায়। ছাৰ কিছু নিৰুপায়। ঠিক এনে সময়তে কাকতি ছাৰ, তালুকদাৰ ছাৰ (মানে মদন কাকতি আৰু শৰৎ তালুকদাৰ) লগতে মহেশ ৰাভা, নৃপেন নাথ কোঠাত প্ৰৱেশ কৰিলে আৰু আটায়ে বহি ললোঁ । অধ্যক্ষ নাথ ছাৰে মোৰ লগত থকা কাগজ-পত্ৰবোৰ বিচাৰিলে। টকাৰ কথাও ওলাল। কোনে জানো আলোচনাৰ মাজত কলে যে আলোচনী প্ৰকাশৰ সাহায্যৰ বাবে ভ্ৰাম্যমান থিয়েটাৰ নিমন্ত্ৰণ কলিলে কেনে হয়। সিদ্ধান্ত হ'ল থিয়েটাৰ মাতিলে বেয়া নহয়। আগধন লাগিল আগুৱান টকা দিবলৈ। অধ্যক্ষ নাথ ছাৰে ক'লে- টকাখিনি ঘূৰাই দিলে অগ্ৰিম টকাৰ দিহা কৰা যাব। সেইসময়ৰ অসমৰ আগশাৰীৰ ভ্ৰাম্যমান থিয়েটাৰ 'সৰুদেৱী থিয়েটাৰ' দলটোক নিমন্ত্ৰণ কৰা হ'ল। সময়ত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আলোচনী 'জৱাহৰজ্যোতি' প্ৰকাশৰ সহায়ৰ বাবে সুৰদেৱী থিয়েটাৰ দল আহিল। বকো গান্ধী মৈদানত থিয়েটাৰ প্ৰদৰ্শন কৰা হ'ল। আমি আগভাগ ললোঁ। বহু কেইজন ছাত্ৰ-ছাত্ৰী আৰু কলেজৰ শিক্ষাগুৰু তথা কলেজ পৰিচালনা সমিতিৰ সেই সময়ৰ সম্পাদক শ্ৰীঅচ্যুত কান্ত অধিকাৰী ছাৰে আমাৰ লগত ছাঁটোৰ দৰে লাগি থাকি উৎসাহ যোগাইছিল। পাহৰিব নোৱাৰ কথা । শ্ৰম হৈছিল যথেষ্ট। থিয়েটাৰ প্ৰদৰ্শন কৰি কিছু টকা সংগ্ৰহ কৰা হ'ল। আলোচনী প্ৰকাশৰ বাবে লগা টকা পূৰ নহ'ল। যি কি নহওক কিছু টকা আমাৰ হাতলৈ আহিল। উশাহ এটা পালোঁ। কিছু প্ৰবন্ধ, গল্প, কবিতা আৰু নানা লিখনি সংগ্ৰহ কৰা হ'ল। মই অজিত কুমাৰ ৰাভাৰ দ্বাৰা 'জৱাহৰজ্যোতি'ৰ বেটুপাত অঁকালোঁ। বৰ্তমান ৩০ টা বছৰে অজিত কুমাৰ ৰাভাক লগ পোৱা নাই। লিখাবোৰ ঘহি পিহি কিছু যুগুত কৰা হ'ল। সম্পাদনা সমিতিৰ সদস্যসকলে যথেষ্ট সহায় কৰিলে। ছাৰসকলে চাই-চিতি বহু শুধৰাই দিলে। আলোচনীখনৰ কেঁছা সামগ্ৰী কিছু জমা হ'ল।

সম্পাদনা সমিতিৰ সিদ্ধান্ত হ'ল, যিখিনি হৈছে প্ৰেছত দিব লাগে। থিয়েটাৰত পোৱা কিছু টকা লৈ আলোচনীখন ছপা কৰিবৰ বাবে গুৱাহাটীৰ পান বজাৰত থকা লক্ষী প্ৰিণ্টিং প্ৰেছত দিয়া হ'ল। বৰ্তমান সেই ঠাইত প্ৰেছটো নাই। এদিন অধ্যক্ষ ছাৰে কলে যে 'জৱাহৰজ্যোতি'ৰ বাবে আৰু টকাৰ প্ৰয়োজন হ'ব। আকৌ টকাৰ কথা আমাৰ মূৰত সোমাল। কি কৰা যায়।

এই প্ৰসংগতে এজন মানুহৰ বিষয়ে কিছু কথা ক'বলগীয়া হ'ল। তেওঁ আমাৰ সন্মানীয় প্ৰয়াত প্ৰবীন কুমাৰ চৌধুৰী। প্ৰবীন কুমাৰ চৌধুৰী বকো সমষ্টিৰ এম.এল.এ.। তেওঁ সমষ্টিৰ প্ৰতিনিধিয়েই নহয়, অসম চৰকাৰৰ সেই সময়ৰ পৰিবহন মন্ত্ৰীও আছিল। তেওঁৰ নেতৃত্বতেই বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে গা কৰি উঠিছিল। তেওঁৰ অৱদান আৰু শ্ৰমৰ কথা বকো ৰাইজে পাহৰিব নোৱাৰে। বিশেষকৈ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে তেওঁৰ নাম ল'বই লাগিব। তেওঁ চতুৰ আছিল। অঞ্চলত কাম কৰাৰ সুযোগ পাইছিল। সেই সুযোগ তেওঁ এৰি দিয়া নাছিল। কলেজ গঢ়াৰ ইটো-সিটো কামৰ লগত আৰু এজন লোক আছিল তেওঁ হ'ল শ্ৰীযুত অচ্যুত কান্ত অধিকাৰীদেৱ। প্ৰবীন কুমাৰ চৌধুৰী আৰু অধিকাৰীৰ অৱদানৰ বিষয়ে লিখিলে এটি সুকীয়া প্ৰবন্ধ হ'ব। ই আমাৰ উদ্দেশ্য নহয়। মই কলেজীয়া জীৱনৰ সোণোৱালী সুদিন কেইটা ছাত্ৰাবাসতেই কটাইছোঁ।

এদিন আবেলি অধ্যক্ষ ছাৰে তেওঁৰ কাৰ্যালয়ত মোক মাতি নিলে। ছাৰৰ লগত বহি আছে কাকতি ছাৰ আৰু তালুকদাৰ ছাৰ। অধ্যক্ষ ছাৰে কলে জ্ঞান টকা নাই কি কৰা যায়। শেষত আলোচনা কৰি সিদ্ধান্ত কৰা হ'ল মন্ত্ৰী চৌধুৰী ছাৰৰ ওচৰত ঘাটি হোৱা টকাখিনি বিচৰা যাওক। এদিন মহেশ, মই, নৃপেন লগত কাকতি ছাৰ, তালুকদাৰ ছাৰ আৰু অধ্যক্ষ নাথ ছাৰৰ লগ হৈ ৰাতি ৭/৮মান বজাত বকোত থকা চৌধুৰীৰ বাসভৱনলৈ গ'লোঁ। কলেজৰ আৰু সৰু-সুৰা সামাজিক কাম-কাজৰ বাবে আমাৰ চৌধুৰীদেৱৰ লগত দেখা সাক্ষাৎ তথা ভাৱৰ আদান-প্ৰদান হৈ আছিল, ফলত তেওঁৰ ওচৰ চপাৰ সুযোগ পাইছিলোঁ।

আমাক দেখি তেওঁ আমাৰ খা-খবৰ ললে। কলেজৰ উন্নতিৰ বিষয়ে কথা পাতিলে। ৰাইজৰ, দেশৰ বহু আলোচনা হ'ল। আমি ছাত্ৰ তথা তেওঁৰ পুত্ৰসম। তথাপি মুকলিমূৰীয়াকৈ বহু কথাই পাতিলোঁ। আমাৰ উদ্দেশ্যৰ বিষয়ে কথা পতাৰ সুযোগ পোৱাই নাই। শেষত যেনিবা আমাৰ নিবেদনতো কলো- 'জৱাহৰজ্যোতি' কলেজ আলোচনীখন প্ৰকাশৰ পথত। কিন্তু আমাৰ টকা কিছু ঘাটি হৈছে। আপুনি আমাক সহায় কৰিব লাগে। তেওঁ লগে লগে মান্তি হ'ল। ঘাটি টকা তেওঁ পূৰণ কৰিব।

প্ৰবীন কুমাৰ চৌধুৰীৰ ওচৰত আমি কৃতজ্ঞ। তেওঁৰ অৱদান আমি পাহৰিব নোৱাৰোঁ। তেওঁ আমাক অভিভাৱকৰ দৰে ওচৰত পাই বহু কথা কৈছিল। এই বোৰ কৈ দীঘলীয়া কৰাৰ ইচ্ছা নাই।

এই সুদীৰ্ঘ সময়ৰ পিছত কলেজখনৰ বিষয়ে কিছু কথা কব বিচাৰিছোঁ। এই সময়ছোৱাত আমাৰ বহু কেইজন ভাল ভাল চাকৰি কৰিছে, কোনোৱে দায়িত্বশীল বিষয়া হৈছে। বহুজন চিৰদিনৰ বাবে হেৰুৱাইছোঁ। বহুজনৰ কথা পাহৰিও গৈছোঁ। সময়ৰ আঁচোৰ আমাৰ প্ৰতিজন মানুহৰ মুখমণ্ডলত লাগি গৈছে। কলেজত আমাক শিক্ষাদান কৰা শিক্ষকসকলক এতিয়া হয়তো

সময়ে কলেজ এৰিবলৈ বাধ্য কৰালে। সময়ৰ সোঁতে সোঁতে কাম হৈছে। বহুদিন কলেজলৈ যোৱা নাই। কাম নাই ।নতুন পুৰুষে কলেজত দলদোপ হেন্দোলদপ লগাইছে। নতুনে সদায় সৃষ্টি কৰে, সৃষ্টিত আনন্দ আছে। আছে জীয়াই থকাৰ মধুৰতা। এতিয়া কলেজত বিজ্ঞান শাখা খোলা হৈছে। আজি প্ৰযুক্তি বিদ্যাৰ যুগত আমাৰ গ্ৰাম্য ভূমিৰ ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান বিষয়ক জ্ঞান লাভ কৰিবলৈ সুযোগ পোৱা অতি আনন্দৰ কথা। আমি থকা ছাত্ৰাবাসটোত হোনো বৰ্তমান বিজ্ঞানৰ শ্ৰেণী খোলা হৈছে। শালনি বাৰীৰ মাজৰ সেহেঁ পুৰণি কাঠৰ ঘৰটোত আমি কলেজীয়া জীৱন কটাইছিলোঁ। ঠাইখিনি আছিল মৰিশালী । সন্মুখত বহল খেল পথাৰ ।অধ্যক্ষ ছাৰে আমাক কলেজৰ নক্সা দেখুৱাই কৈছিল, কলেজৰ নামত এশ (১০০) বিঘা মাটি আৱণ্টন কৰা হৈছে ।বকো বজাৰৰ পৰা একাষৰীয়া ঠাই। ঠাই খিনি জাৱাপাৰা, চোকাবাঁহা বুলি এই ঠাইৰ মানুহে কয়ে। সেউজবুলীয়া প্ৰাকৃতিৰ মাজত অৱস্থিত। নিৰ্জন ঠাই। দিনতে শিয়াল ওলায়। বেলি মাৰ যোৱাৰ পিছতে শিয়ালে 'হোৱা' দিয়ে। পুতি থোৱা মৰা মানুহ টানি টানি শিয়ালে খায়। ৰাতি প্ৰস্ৰাৱ কৰিবলৈ উঠিলে কোনো কোনো ছাত্ৰৰ কাষেৰে গাহৰি পোৱালী অহা-যোৱা কৰে। প্ৰত্যক্ষ কৰাত কঠিন হয়। বিজুলি বাতি নাই। বিভিন্ন সম্প্ৰদায় তথা বিভিন্ন ধৰ্মৰ ছাত্ৰই এক গোট হৈ বৰ মিলা-প্ৰীতিৰে সেই সময়বোৰ কটাইছিলোঁ। আমাৰ কি যে কপাল। কি যে আনন্দ আছিল সেই দিনবোৰ। আজি সপোন সপোন যেন লাগে। সেই সময়, সেই জীৱন, সেই বন্ধু-বান্ধৱী আৰু সেই শিক্ষক সকল ভাবিলে আজিও অভিভূত হওঁ। সময়ে সকলোবোৰ গৰকি গ'ল। স্মৃতিবোৰ থাকিলে এয়ে জীৱন।

ছাত্ৰাবাসত থাকোঁতে আজৰি সময় পালেই আমি গাঁৱলৈ গৈছিলোঁ। গাঁৱৰ মানুহৰ লগত সুখৰ-দুখৰ, খো-খো খেলাৰ কথা পাতিছিলোঁ। বড়ো, ৰাভা সম্প্ৰদায়ৰ লোকেই অধিক আছিল। গাঁৱৰ মানুহৰ মাত কথাবোৰত নিজস্বতা আছে। কোনো জটিলতা বা কৃত্ৰিমতা নাই । সহজ সৰল মৰমীয়াল। বকো অঞ্চলৰ শিল, পাহাৰ, লোক-কথা আৰু কলা-সংস্কৃতিৰ কথাবোৰ মানুহক সুধিছিলো। পৰা পক্ষত নোটবুকত টুকি ৰাখিছিলোঁ। শেষত কালত লিখি এইবোৰ অসম সাহিত্য সভাৰ পত্ৰিকা আৰু অসমৰ আন আলোচনী আৰু বাতৰি কাকতত প্ৰকাশ কৰিছিলোঁ। হানা ঘোঁৱাৰ ওপৰত প্ৰবন্ধ লিখি 'মনোৰঞ্জন' নামৰ আলোচনীত প্ৰকাশ কৰিছিলোঁ।

পিছে কলেজখনত সাহিত্য সংস্কৃতিৰ বহল পথাৰখনত কিবা খোজ এৰিব পাৰিলোনে নাই নাজানো। সময়ৰ ধুমুহাই তাক মচি নিব পাৰে। এই কথা ক'ব পাৰোঁ নতুন অনুষ্ঠানটিত আমি এটা খোজ দিবলৈ চেষ্টা কৰিছিলোঁ। খোজতো দিওঁতে আমাক সহায় কৰিছিল সেই সময়ৰ অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ছাৰে। লগতে মোৰ সহপাঠী ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে।

মই অস্বীকাৰ নকৰো 'জৱাহৰজ্যোতি' সম্পাদনাৰ ক্ষেত্ৰত মোক সদায়, দিহা পৰামৰ্শ, উপদেশ দিয়া এইসকল ছাৰক, তেখেতসকল হ'ল মদন কাকতি, ধৰ্মকান্ত বৰুৱা, বসন্ত কুমাৰ দত্ত, শৰৎ তালুকদাৰ আদি। পাঠ্যপুথিৰ শিক্ষা লাভৰ উপৰিও তেওঁলোলোকৰ পৰা মই ব্যৱহাৰিক জীৱনৰ যথেষ্ট জ্ঞান-শিক্ষা লাভ কৰিছিলোঁ। মোৰ প্ৰতি থকা তেওঁলোকৰ মৰম চেনেহৰ কথা কেনেকৈ পাহৰিম। তেওঁলোকক সৌজন্যতাৰ বাবে কৃতজ্ঞতা জনোৱাৰ বাহিৰে মোৰ কি আছে। সেইটো মচিব নোৱাৰা সঁচা কথা।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত কলেজ কাৰ্যালয়ত মই এজন মানুহক বৰকৈ আমনি দিছিলেঁ । তেওঁ হ'ল স্বৰ্গীয় কনক দাস, কাৰ্যালয় সহায়ক। চিঠি-পত্ৰ টাইপ কৰা, প্ৰবন্ধ নকল কৰা , কাগজ পত্ৰ খোজা ইত্যাদি ইত্যাদি। তেওঁৰ সহযোগিতাৰ কথা মই পাহৰিব নোৱাৰো। তেওঁ হেনো দুৰাৰোগ্য বেমাৰত ঢুকাল। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক তাৰ বাবে ভগৱানৰওচৰত প্ৰাৰ্থনা জনালোঁ।

আমি কলেজত পঢ়া সময়ত পঢ়াশুনা কৰাৰ বাবে সীমতি আছিল। তথাপি যি খিনি আমি পাইছিলোঁ সেয়ে আমাৰ জীৱনৰ পৰম সম্পদ আছিল। ছাত্ৰ-ছাত্ৰীও কম আছিল। খোজেপ্ৰতি আমাক আমাক শিক্ষক-শিক্ষয়িত্ৰীসকলে নজৰ দিব পাৰিছিল। তেওঁলোকে আমাৰ দায়িত্বশীল অভিভাৱকত্বও গ্ৰহণ কৰিছিল।

পাঠদানতেই নাথাকি নৱাগত আদৰণি সভা, বাৰ্ষিক উৎসৱ আদিতো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী মিলি আমি একাংকিকা নাট, পূৰ্ণাঙ্গ নাট মঞ্চস্থ কৰিছিলোঁ। সমাজ সেৱাৰ কামো ৰকৰিছিলোঁ। ফলত তেওঁলোকে আমাক বৰ ওচৰত পাইছিল। পৰস্পৰে-পৰস্পৰক জনাৰ, বুজাৰ সুবিধা হৈছিল।

এনে ধৰণৰ মধুৰ সম্পৰ্কৰ মাজতে আমাৰ কলেজীয়া জীৱন কেনেদৰে পাৰ হ'ল ক'বই নোৱাৰিলোঁ। কলেজীয়া জীৱনত আমি তুলনামূলকভাৱে বহু পোৱা নাই। নোপোৱাখিনিতো বাকীয়েই থাকিল। যিখিনি পাই আহিছোঁ তাকো জানো কৰবাত হেৰুৱালোঁ। ভয় হয়, পোৱাই-নোপোৱাই আমাৰ জীৱন। আজি সেই সোণোৱালী সুদিনবোৰ স্মৃতি হৈ ৰ'ল।

০০০

# ৰূপালীৰ পৰা সোণালী হৈ

যতীন চন্দ্ৰ মেধি
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

১৯৮৮ চন। চেপ্তেম্বৰৰ ১২ তাৰিখ। মোৰ জীৱনৰ এটি বিশেষ দিন। কাৰণ এই দিনটোতে মই এই মহাবিদ্যালয়ত কামত যোগদান কৰোঁ। বাৰ কি আছিল সঠিক মনত নাই; কিন্তু যি দিনাখন মই কামত যোগদান কৰিছিলোঁ সিদিনাখন অধ্যক্ষৰ দায়িত্বত আছিল -অসমীয়া বিভাগৰ মুৰব্বী অধ্যপক শ্ৰীযুত বসন্ত কুমাৰ দত্ত চাৰ। নিযুক্তি পত্ৰখন হাতত তুলি দিয়াত চাৰে স্বভাৱ সুলভ হাঁহিটো মাৰি সুধিলে। আজি Join কৰিবা? হয় চাৰ বুলি কথাষাৰ শলাগিলো। মন কৰিলোঁ দত্ত চাৰৰ পৰিশীলিত পোচাকযোৰ আৰু মাৰ্জিত ব্যৱহাৰ। গম পালোঁ সকলো সহকৰ্মী আৰু কৰ্মচাৰীৰ লগতেই দত্ত চাৰে সম ব্যৱহাৰ কৰে আৰু চাৰক সকলোৱে সমীহ কৰে। সোণালী জয়ন্তীৰ এই সোণালী মুহূৰ্তবোৰতো চাৰে ওতঃপ্ৰোত ভাবে লাগি সকলো কামতে সহায় কৰি আছে। ভগৱানৰ ওচৰত প্ৰাৰ্থনা -'চাৰক এনেকৈয়ে ৰাখক সমাজৰ মঙ্গলৰ বাবে।'

মোৰ চাকৰিৰ নিযুক্তি পত্ৰ ডাকযোগে পঠোৱা নাছিল; পঠাইছিল হাতে হাতে। ভালকৈ মনত আছে-মই তেতিয়া ৰঙিয়াত আছিলোঁ। ৰঙিয়া কলেজৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী এজনে মোক ৰাতিপুৱাই হাতত তুলি দিছিল এটা খাম। খুলি চাই দেখিলোঁ জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ নিযুক্তি পত্ৰ। কলেজৰ চাকৰী নিযুক্তি পত্ৰ লাভ কৰি বুজাব নোৱাৰা মিঠা শিঁহৰণ অনুভৱ কৰিছিলোঁ। পিছদিনাখনেই ৰঙিয়াৰ পৰা জালুকবাৰী আৰু তাৰ পৰা বকো।

মই কামত যোগদান কৰা সময়ত মহাবিদ্যালয়ত সুকীয়া বিভাগীয় কোঠাৰ কোনো ব্যৱস্থা নাছিল, আছিল সমূহীয়া Teachers' Common Room। অনানুষ্ঠানিক চিনাকি পৰ্ব শেষ কৰি প্ৰথম ক্লাছলৈ গৈছিলোঁ Room No.1 ত। চিনাকি হৈছিলোঁ কাকতি চাৰ, ধৰ্মকান্ত বৰুৱা চাৰৰ লগত। বৰুৱা চাৰ ভাষা (Language B group) ৰ আছিল। মোৰো বিশেষ বিষয় ভাষা হোৱা হেতুকে আমি Language ৰ মেজৰৰ (তেতিয়া অনাৰ্চ) ক্লাছ সম্পৰ্কত বিশেষভাৱে আলোচনা কৰিব লগা হৈছিল আৰু বৰুৱা চাৰে এই ক্ষেত্ৰত বিশেষ ভাবে সহায় কৰিছিল।

মহাবিদ্যালয়ৰ চৌহদত প্ৰৱেশ কৰিয়েই ইয়াৰ প্ৰেমত পৰিছিলোঁ। মোৰ দৃঢ় বিশ্বাস যিজনে এবাৰ আমাৰ এই মহাবিদ্যালয়লৈ আহিছে, সেইজনেই ইয়াৰ প্ৰেমত বন্দী হৈছে। কৰ্তব্যৰ খাতিৰত আৰু একেবাৰে এৰাব নোৱাৰা কাৰণত যদি কোনোবাজন আঁতৰি যাব লগা হৈছে তেওঁলোকে একান্ত সংগী কৰি লৈ গৈছে এই মহাবিদ্যালয়ৰ সু-মধুৰ স্মৃতি।

মোৰ দৃষ্টিত এই মহাবিদ্যালয়ৰ মুখ্য আকৰ্ষণৰ কেন্দ্ৰ বহুমাত্ৰিকঃ এই ক্ষেত্ৰত প্ৰথমে উল্লেখ কৰিব পাৰি ইয়াৰ নামকৰণ। স্বাধীন ভাৰতবৰ্ষৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ পৱিত্ৰ স্মৃতিত এই মহাবিদ্যালয় উৎসৰ্গা কৰা হৈছে। যি গৰাকী মহান নেতা অকল স্বাধীন ভাৰতবৰ্ষৰ প্ৰথম গৰাকী প্ৰধান মন্ত্ৰীয়েই নাছিল, তেওঁ আছিল আধুনিক ভাৰত নিৰ্মাতাসকলৰ ভিতৰত অন্যতম খনিকৰ।

দ্বিতীয়তে, ইয়াৰ অৱস্থান আৰু নৈসৰ্গিক পৰিৱেশ। মহাবিদ্যালয়খন এনে এডোখৰ স্থানত স্থাপন কৰা হৈছে যি বকো চহৰৰ পৰা প্ৰায় তিনি কিঃমিঃ পশ্চিম প্ৰান্তত হাঁহিম তিনিআলিৰ গাতে লাগি আছে ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথৰ সমীপত। (হাঁহিম তিনি আলিৰে কেই কিলোমিটাৰ মান আগুৱাই গ'লেই পোৱা যায় পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ স্থল প্ৰখ্যাত আৱাদোঙ্গা)। মহাবিদ্যালয়ৰ চৌপাশ বিভিন্ন গছ-গছনিৰে পৰিৱেষ্টিত। ই প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্যৰে সৌন্দৰ্যশালী হোৱাৰ উপৰিও প্ৰাকৃতিক সম্পদেৰে সম্পদশালীও। ৰাষ্ট্ৰীয় ঘাই পথেৰে অহা-যোৱা কৰা সকলোৱে মন-প্ৰাণ এই মহাবিদ্যালয়ৰ প্ৰাকৃতিক পৰিৱেশে এবাৰ হ'লেও চুই যায়।

তৃতীয়তে,-ভাষা, ধৰ্ম, জাতি, সংস্কৃতিৰ সমন্বয় ক্ষেত্ৰ হিচাপেও ই আকৰ্ষণৰ অন্যতম কেন্দ্ৰবিন্দু। বৃহত্তৰ বকোৰ বিশেষ বিশেষত্ব হ'ল সমন্বয় আৰু সংহতিত। মোৰ ব্যক্তিগত অনুভৱ- এই মহাবিদ্যালয়ৰ শিক্ষাগুৰু-কৰ্মচাৰীসকলৰ যি হৃদয়ৰ টান, আত্মিক সম্বন্ধ আৰু যি চেনেহৰ এনাজৰীয়ে বান্ধি পেলাইছে,

সিয়ে মহাবিদ্যালয়ৰ আভ্যন্তৰৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে।

আমি কি পালো? সময় পৰিৱৰ্তনশীল-গতিশীল। জন্মলগ্নৰ পৰা হিচাপ কৰিলে মহাবিদ্যালয়ৰ বয়স ৫০বছৰ সোণালী জয়ন্তীবৰ্ষ। কিন্তু আমি যি সময়ত এই মহাবিদ্যালয়ত যোগদান কৰিছিলোঁ তেতিয়াই মহাবিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষত খোজ পেলাইছিল। সময়ৰ লগত খোজ মিলাই ৰূপালীৰ পৰা সোণালীলৈ মহাবিদ্যালয়ৰ আবয়িক আৰু বিদ্যায়তনিক ক্ষেত্ৰত বহুখিনি পৰিৱৰ্তন হ'ল-আগবাঢ়ি গ'ল।

মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা ৬নং ৰুমলৈকে আগবাঢ়িছিল মাথোন। নাম ভৰ্ত্তিকৰণৰ পৰা সভা-সমিতিলৈকে সকলো কাম ৩নং কোঠাই সামৰিছিল সকলো। বৰ্তমান সেই সকলো কাম কৰিবৰ বাবে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ সাজি উলিওৱা হৈছে। মহাবিদ্যালয় খেলপথাৰৰ বিপৰীত দিশত আছিল গ্ৰন্থাগাৰ আৰু গ্ৰন্থৰ সংখ্যাও সন্তোষজনক। সোণালী জয়ন্তৰ এই শুভক্ষণত নৱ নিৰ্মিত ছাত্ৰী নিবাস মুকলি কৰি প্ৰকৃতাৰ্থত শুভ-কৰ্মৰ শুভ আৰম্ভণি কৰিছে। এই সময়চোৱাত আবয়বিক দিশৰ উল্লেখনীয় পৰিৱৰ্তন হ'ল নৱ-নিৰ্মিত প্ৰশানীয় ভৱন। এই ভৱনৰ ১ম মহলাত আছে গ্ৰন্থাগাৰ আৰু ২য় মহলাত আছে সুপৰিকল্পিত ৰূপত সজোৱা আলোচনা কক্ষ। মুঠৰ ওপৰত চুইমিং পুল আদি কৰি সকলোবোৰ সুবিধা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপলব্ধ। বিদ্যায়তনিক দিশতো মহাবিদ্যালয়ে দ্ৰুত পৰিৱৰ্তন সূচনা কৰিবলৈ সক্ষম হৈছে। ৰূপালী জয়ন্তী বৰ্ষলৈকে মহাবিদ্যালয়ত মাত্ৰ অসমীয়া আৰু অৰ্থনীতি বিষয়তহে অনাৰ্চ আছিল। যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট অসুবিধা হৈছিল। কিন্তু বৰ্তমান সকলো বিষয়তে গুৰু (Major) পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে আৰু ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ৰাপ থকা বিষয়টো পঢ়াৰ সুবিধা পাইছে।

বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ হাৰ পূৰ্বৰ তুলনাত ৫-৬ গুণ বৃদ্ধি হৈছে। সমানুপাতিক ভাবে পৰীক্ষাৰ ফলাফলো যথেষ্ঠ সন্তোষজনক।

এই সময়ৰ ভিতৰতে মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই চৰকাৰৰ ঘাটি মঞ্জুৰী (১৯৬৯) লাভ কৰিবলৈ সক্ষম হয়। এয়া পৰম সন্তোষৰ কথা। বৃহত্তৰ বকো অঞ্চলত বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ই দূৰৰ গংগা ওচৰতে পোৱাৰ দৰে কথা। বিক্ষান শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰতো ই যথেষ্ট পৰিমাণে সহায়ক হ'ল। বিদ্যায়তনিক ক্ষেত্ৰত ইয়াক মাইলৰ খুটি ৰূপে চিহ্নিত কৰিব পাৰি।

বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ চাহিদাৰ প্ৰতি লক্ষ্য কৰি বড়ো মাতৃভাষা প্ৰৱৰ্তন বিদ্যায়তনিক দিশৰ আন এক সফলতা বুলিব পাৰি।

অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত ভাষা সাহিত্যৰ গৱেষণামূলক আলোচনী 'অসম জ্যোতি' এক উল্লেখযোগ্য দিশ।

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, Biotch hub, K.K. Handique Open University, Language Lab. সাহিত্য চ'ৰা-এই সকলোবোৰ বিদ্যায়তনিক দিশৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা বুলিব পাৰি।

সাংস্কৃতিক দিশত মহাবিদ্যালয় পূৰ্বৰ পৰাই চহকী। পূৰ্বৰ এই সন্মান অক্ষুন্ন ৰাখি ইয়াক আৰো শক্তিশালী কৰি সাংস্কৃতিক গোট (Culture Unit) গঠন কৰা হৈছে। মুঠতে মহাবিদ্যালয়ে বিদ্যায়তনিক ক্ষেত্ৰত বিশেষ ভাবে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

**আজিও যি অপূৰণ ৰ'ল ঃ** জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ পঞ্চাশ বছৰ পূৰ্ণ হ'ল। তথাপি পূৰণ নহ'ল মহাবিদ্যালয়ৰ খালী হৈ থকা গ্ৰন্থাগাৰীকৰ পদত আজি পৰ্যন্ত স্থায়ী নিযুক্তি নোহোৱাটো দুৰ্ভাগ্যজনক। কেইমাহ মানৰ বাবে ভাগৱতী নাৰ্জাৰীয়ে এই পদ পূৰণ কৰিছিল যদিও পদ এৰি দিয়াৰ পিছত গ্ৰন্থাগাকিৰ পদ পুনৰ খালী হৈ পৰে।

অৰ্থনীতি বিভাগ-মহাবিদ্যালয়ৰ এক গুৰুত্বপূৰ্ণ বিভাগ। কিন্তু আজি পৰ্যন্ত এই বিভাগত স্থায়ী পদত মাত্ৰ দুগৰাকী অধ্যাপক। ঠিক একেদৰে ৰাজনীতি বিজ্ঞান, ইংৰাজী আদিতো, সন্মানীয় পৰিচালন সমিতিয়ে এই বিষয়ত গুৰুত্ব আৰোপ কৰিব এয়া আমাৰ বিনম্ৰ অনুৰোধ।

**চাকৰিৰ পৰা অৱসৰ নৌলওতেই স্মৃতি হ'ল যি-** স্মৃতিৰ সাক্ষৰ বুলিলেই আমাৰ মনলৈ আহে ৺দেবেন্দ্ৰ নাথ শৰ্মা চাৰ। অৰ্থনীতি বিভাগৰ এজন সুনিপুণ অধ্যাপক শৰ্মা চাৰে সকলো সময়তে আনক সহায় কৰিবলৈ প্ৰস্তুত হৈ থাকে। নিৰহংকাৰী শৰ্মা চাৰক দেখিলে ভাব হৈছিল সংসাৰখন সচাঁকৈয়ে সুখৰ ঠাই। দেখিলেই হাস্যবদনে কান্ধত হাতখন থৈ সুধিছিল-ও যতীন ভালে আছা—। খাদ্যৰসিক শৰ্মা চাৰক সোণালী জয়ন্তীৰ এই শুভক্ষণত শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

আমি শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ ৺নবীন চন্দ্ৰ মুদীয়াৰদেৱক ভূগোল বিভাগৰ মূৰব্বী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি

থাকোতেই অকালতে ইহ সংসাৰৰ পৰা বিদায় মাগিলে। সকলোকে কন্দুৱাই থৈ গ'ল। নবীন চন্দ্ৰ মুদীয়াৰ কেৱল নামতেই নহয় কামতো নবীন। কৃতি শিক্ষক, পৰহিতৈশী, কোমল অন্তৰৰ মুদীয়াৰ দেৱৰ প্ৰথম প্ৰেম কলেজ।

অৰ্থনীতি বিভাগৰ অধ্যাপক ° অৰুণ চন্দ্ৰ পাটোৱাৰীদেৱক আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। বেয়া নাচাবা, বেয়া নুশুনিবা, বেয়া নক'বা আদি পাটোৱাৰী দেৱৰ বিশেষ গুণ। প্ৰচাৰ বিমুখ, স্বল্পভাষী পাটোৱাৰী চাৰ ক্লাছত একদম চিৰিয়াচ।

মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ কাৰ্যালয় সহায়ক °কনক চন্দ্ৰ দাস সঁচা অৰ্থত আছিল ভদ্ৰলোক। বগলী ব'গা ধুতি পাঞ্জাৱী আছিল তেখেতৰ প্ৰিয় সাজ। পৰিশীলিত সাজ-পোছাক, মাৰ্জিত মাত-বচন আৰু সৌহাৰ্যপূৰ্ণ ব্যৱহাৰ আছিল তেখেতৰ বিশেষ অলংকাৰ। কলেজখনেই নিজৰ ঘৰখন আৰু কৰ্মই আছিল জীৱনৰ ব্ৰত। °কনক চন্দ্ৰ দাস দেৱক আমি শ্ৰদ্ধাৰে স্মৰণ কৰিছো।

আমি শ্ৰদ্ধাৰে চিৰকাল সুঁৱৰিম ° প্ৰবীণ কুমাৰ চৌধুৰীদেৱক, যিগৰাকী মহান মানৱে এই মহাবিদ্যালয়ৰ প্ৰাণ প্ৰতিষ্ঠা কৰিছিল। লগতে °অচ্যুত কান্ত অধিকাৰীদেৱ, জনাৰ্দন শৰ্মা দেৱকো সুঁৱৰিম চিৰকাল।

কৃতিত্বৰে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি স্বৰ্গগামী হ'ল অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক °শৰৎ চন্দ্ৰ তালুকদাৰ আৰু অসমীয়া বিভাগৰ অধ্যাপক °মদন চন্দ্ৰ কাকতি দেৱ।

চাকৰিৰ পৰা কৃতিত্বৰে অৱসৰ গ্ৰহণ কৰি বৰ্তমানো বিভিন্ন সামাজিক কামত জড়িত হৈ সেৱা আগবঢ়াই আছে - অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীযুত ধৰ্ম কান্ত বৰুৱা চাৰ। ইংৰাজী বিভাগৰ অধ্যাপক শ্ৰীযুত মৃগেন শৰ্মা চাৰ, বুৰঞ্জী বিভাগৰ অধ্যাপক তথা উপাধ্যক্ষ মঃ মজিবুৰ ৰহমান দেৱ।

মহাবিদ্যালয় কৰ্মচাৰী উচ্চ বৰ্গৰ সহায়ক শ্ৰীযুত ৰাধাচৰণ মেধি, শ্ৰীযুত শৈলেন্দ্ৰ নাথ শৰ্মা, গ্ৰন্থাগাৰিক শ্ৰীগৌতম ৰাভা দেৱ অতি কৃতিত্বৰে মহাবিদ্যালয়ত সেৱা আগবঢ়ায় আৰু বৰ্তমানো বিভিন্ন সমাজিক কল্যাণমূলক কামৰ সৈতে জড়িত হৈ আছে। ইয়াৰ উপৰি চতুৰ্থ বৰ্গৰ কৰ্মচাৰী শ্ৰীযুত মহেশ দাস আৰু শ্ৰীযুত সৰ্বেশ্বৰ দাসে সন্মান সহকাৰে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে।

মহাবিদ্যালয়ৰ জন্মলগ্নৰ পৰা আজি পৰ্যন্ত সকলো প্ৰকাৰৰ উন্নতিৰ কাৰণে একাত্মভাৱে জড়িত হৈ আছে শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। তেখেতে মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে কাৰ্যভাৰ গ্ৰহণ কৰি সুদীৰ্ঘ কাল কৃতিত্বতে সেৱা আগ বঢ়ায় আৰু অৱসৰ গ্ৰহণ কৰে। তেখেতে বৰ্তমানো মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ পদ অলংকৃত কৰি সেৱা আগবঢ়ায় আছে।

সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীযুত বসন্ত কুমাৰ চাৰৰ সু-পৰিকল্পিত কাৰ্যপ্ৰণালী আৰু অদম্য উৎসাহ আৰু কাৰ্যদক্ষতাৰ সমন্বয় - এই অনুষ্ঠানৰ মুল চাবি-কাঠি বুলিব পাৰি। অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰা শ্ৰীযুত লক্ষীকান্ত শৰ্মা চাৰে বিভিন্ন সামাজিৰ কামৰ লগত ওতঃপ্ৰোত ভাবে জড়িত হৈ থকাৰ লগতে মহাবিদ্যালয়ৰ উন্নতি কল্পে অতি আন্তৰিকতাৰে লাগি আছে। শৰ্মা চাৰৰ কথা ক'লেই মনলৈ আহে - 'যিমান জটিল সমস্যাই নহওঁক কিয় দুই হাত প্ৰসাৰিত কৰি বুদ্ধিদীপ্ত চিন্তা অথচ স-হাস্যবদনে সেই সমস্যা নিমিষতে সমাধান কৰি দিয়ে। সদ্যবিদায়ী উপাধ্যক্ষ শ্ৰীযুত ভবেশ গোস্বামীদেৱে প্ৰতিটো খবৰ ৰাখে মহাবিদ্যালয়ৰ। সোণালী জয়ন্তীৰ অগ্ৰগতি সম্পৰ্কেও খবৰ লয় নিতে। এয়া নিশ্চয় মহাবিদ্যালয়ৰ প্ৰতি থকা আন্তৰিকতাৰ নামান্তৰ। নিষ্ঠা আৰু কৰ্তব্যবোধৰ আন এক নাম শ্ৰীদিলীপ কুমাৰ দাস চাৰ। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা অতি জনপ্ৰিয় অধ্যাপক দাস চাৰক ড° ভূপেন হাজৰিকাদেৱৰ গীত আৰু জীৱনে বিশেষ ভাবে আপ্লুত কৰিছিল। ৰূপালী জয়ন্তী আৰু নেহৰু শত বাৰ্ষিকী স্মৃতি গ্ৰন্থখনি সম্পাদনা কৰি যি মহৎ কাম সমাধা কৰিছিল তাৰ বাবেও দাসদেৱ বিশেষ ধন্যবাদৰ পাত্ৰ।

পৰিশেষত যি সকল মহান ব্যক্তিৰ অকৃত্ৰিম আৰু অতুলনীয় ত্যাগৰ ফলত এই মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষত খোজ দিবলৈ সক্ষম হৈছে- সেই সকললৈ আমাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ থাকিল। ৰূপালীৰ পৰা সোণালীলৈ এই বিশাল পৰিসৰক ঠেক পৰিসীমাৰ লিখনিৰ মাজত সুমুৱাবৰ চেষ্টা কৰোঁতে হয়তো সকলো কথা সামৰি ল'ব পৰা নাই। হয়তো অজ্ঞতাৰ দোষেও অজানিতে চুই যাব পাৰে। পৰমেশ্বৰৰ ওচৰৰ প্ৰাৰ্থনা - বৃহত্তৰ বকো অঞ্চলত প্ৰতিষ্ঠা লাভ কৰা উচ্চ শিক্ষাৰ এই মহান অনুষ্ঠান জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে ৰাইজৰ সহায়-সহযোগিতা যি দৰে ৰূপালীৰ পৰা সোণালীলৈ গতি কৰিছে ছিক একেদৰে গতি কৰক সোণালীৰ পৰা হীৰক, হীৰকৰ পৰা শতবৰ্ষ হৈ—।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।